চান্দমামা

অগাস্ট ১৯৮৫

“অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!”

—ফেভি ফেইৰী



লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
এজন ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বজ্ৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

পোৰকী গাহৰি কেনেকৈ ধাপে ধাপে তৈয়াৰ কৰিব,
সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন
পঠিয়াওক বা এই ঠিকনাত যোগাযোগ কৰক:
ফেভি ফেইৰী পোঃ বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

পোৰকী গাহৰি কেনেকৈ ধাপে ধাপে তৈয়াৰ কৰিব পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন এই ঠিকনালৈ পঠিয়াওক:
ফেভি ফেইৰী, পোষ্ট বক্স নং ১১০৮৪, বোম্বাই ৪০০ ০২০।

নাম: ______________________

বয়স: ______________________

ঠিকনা: ______________________

____

চহৰ: ______________________

ৰাজ্য: ____________ পিন: ____________

(Ch)

ফেভিকল® এম-আৰ
চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তু বেই জোৰা দিব লাগে!

OBM-5572 ASM

বিজয়ী হওক!



১ম পুৰস্কাৰঃ আমেৰিকা আৰু জাপানৰ ডিজনিলেণ্ডলৈ এটা চফৰ।

৫০ টা ২য় পুৰস্কাৰঃ আকৰ্ষণীয় স্পোৰ্টছ্ বাইচাইকেল।

৫০ টা আগতীয়া অংশগ্ৰহণকাৰীলৈ পুৰস্কাৰ প্ৰতি সপ্তাহতঃ সুন্দৰ ডিজিটেল ঘড়ী।

খৰখেদা কৰক! প্ৰতিযোগিতাৰ শেষ তাৰিখ ১৪ ছেপ্টেম্বৰ ১৯৮৫

যোগদান কৰক

পপিন্স 'স্পেল-এ-প্ৰাইজ' কনটেষ্ট

ভৰ্ত্তি-পত্ৰ আপোনাৰ আকৰ্ষণীয় দোকানত পাব।

everest/85/PP/126-as

চান্দমামা

অগাস্ট ১৯৮৫

এই সংখ্যাত আছে

দেশত কিমান কাউৰী	:	৭
কাঁহৰ কিল্লা	:	১১
দূৰদৰ্শী	:	১৯
ভদ্ৰতা	:	২৭
বলিদান	:	৩৩
ৰজাৰ বিচাৰ	:	৪০
কামৰ কথা	:	৪৩
মিলাপ্ৰীতি-মিলনগীতি	:	৪৮
শিৱ-পুৰাণ	:	৫১
অভিজ্ঞতাৰ দাম	:	৫৯

লগতে

অমৰবাণী, চান্দমামাৰ খুতুৰা-খবৰ, গংগা-১, ৰহস্য, নিয়ম, অকাট্য, পশু-পক্ষীৰ কথা ইত্যাদি।

চান্দমামা

সংস্থাপক : চক্রপাণি

সম্পাদক : বি নাগিৰেড্ডি

ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰিবলৈ হ'লে নিম্নলিখিত নিয়মকেইটি প্ৰযোজ্য : কোন মাহৰ বাবে প্ৰতিযোগিতা, স্পষ্টকৈ লিখিব লাগিব ; প্ৰতিযোগীৰ বয়স ; প্ৰতিযোগীয়ে নিজ হস্তাক্ষৰেৰে লিখিব ; প্ৰতিযোগীৰ নাম, ঠিকনা ইত্যাদি বিশদভাৱে আৰু স্পষ্টকৈ লিখিব লাগিব ইংৰাজী অথবা অসমীয়াত ; 'চান্দমামা'ৰ বিচাৰকমণ্ডলীৰ সিদ্ধান্তকে চূড়ান্ত বুলি মানি ল'ব লাগিব ; কেৱল প'ষ্টকাৰ্ডৰ যোগে প্ৰতিযোগিতালৈ অংশগ্ৰহণ গ্ৰাহ্য হ'ব। এই প্ৰতিযোগিতালৈ যোগদান কৰাত বয়সৰ বাধা নাই।

অমৰ-বাণী

নৰত্বম্ দুৰ্লভম্ লোকে বিদ্যা তত্ৰ সুদুৰ্লভা।
বিবেক দুৰ্লভ স্তোত্ৰ দাতৃত্বম্ চ বিশেষতঃ।

[মানৱ-জন্ম দুৰ্লভ বুলি কোৱা হয় ; পিছে বিদ্বান হোৱাটো অধিক দুৰ্লভ, আৰু বিবেকৱান হোৱা তাতোকৈ দুৰ্লভ। কিন্তু দানশীল হোৱা সবাতোকৈ দুৰ্লভ।]

বছৰ : ১০ অগাস্ট ১৯৮৫ সংখ্যা : ৫

খনে : ২·০০ টকা : বছৰেকীয়া বৰঙণি : ২৪·০০ টকা

চান্দমামাৰ খুতুৰা-খবৰ

জোনত থকা মমবাতি দেখা যাবনে ?

জোনৰ বুকুত এডাল জ্বলি থকা মমবাতি থৈ দিলে পৃথিৱীৰপৰা দেখ যাবনে ? ১৯৯৩ চনত দেখা যাব বুলি বিজ্ঞানীসকলে অভিমত প্ৰকাশ কৰিছে। কালিফ'ৰ্নিয়াৰ বিজ্ঞানীসকলে পালমাৰ পাহাৰৰ ওপৰত স্থাপন কৰা টেলিস্ক'পৰ যোগেদি পৃথিৱীৰ বাৰ লক্ষ কোটি আলোকবৰ্ষৰ সিপাৰে অৱস্থিত বস্তুও অতি স্পষ্টৰূপে দেখা যাব।

গীত-মাতলৈ তিমিমাছৰ বাপ...

আলস্কা আৰু ছোভিয়েত ৰুছিয়াৰ মাজত থকা সমুদ্ৰ উপকূলৰ একাংশৰ পানীত আবদ্ধ হৈ পৰিছিল প্ৰায় এহেজাৰ তিমি। সিহঁতক ওলাই যোৱাৰ কাৰণে খাল খান্দি দিয়া হ'ল ; কিন্তু সিহঁত নোলাল। বহু চেষ্টাতো যেতিয়া উলিয়াব নোৱাৰিলে, তেতিয়া সিহঁতক গীত শুনোৱা হ'ল আৰু গীত-বাদ্যৰ লগে লগে সিহঁত সেই আবদ্ধ পানীৰপৰা ওলাই গভীৰ সাগৰলৈ গুচি গ'ল।

গ্ৰহান্তৰবাসীক আদৰা ঠাই...

অন্য গ্ৰহবাসী যদি পৃথিৱীলৈ আহে কেতিয়াবা, নামিবহি ক'ত ? মেক্সিক' নগৰৰপৰা আশী মাইল দূৰৈত থকা অ'ৰিয়েন্টাল পাহাৰৰ ওপৰত নমাৰ আশা আছে বুলি ভাবি লৈ আণ্টানিঅ' বাজ কেজ নামৰ এগৰাকী আঢ্যৱন্ত মানুহে তাত গ্ৰহান্তৰৰ বিমান অৱতৰণৰ বাবে বিমানকোঁঠ সাজিবলৈ আঁচনি লৈছে।

জানিবলগীয়া

১। পৃথিৱীৰ কিমান ঠাই পানীৰ তলত আছে ?

২। সূৰ্য্যৰ আটাইতকৈ ওচৰত থকা গ্ৰহ কোনটো ?

৩। গ্ৰহসমূহৰ মাজত আটাইতকৈ চেঁচা কোনটো ?

৪। গ্ৰহবিলাকৰ মাজত আটাইতকৈ ডাঙৰ গ্ৰহ কোনটো ?

৫। পৃথিৱীৰ ব্যাস কিমান মাইল ?

[উত্তৰ : ৬৪নং পৃষ্ঠাত]

দেশত কিমান কাউঁৰী

বিজয়পুৰৰ ৰজা চন্দ্ৰসেনে তেওঁৰ একমাত্ৰ পুত্ৰ সূৰ্য্যৰ লিখা-পঢ়াৰ বিষয়ে ৰাণীৰ সৈতে আলোচনা কৰি থাকোঁতে ৰাণীৰ কক্ষৰ খিৰিকীয়েদি এটা কাউৰী সোমাই আহিল। লিগিৰী-লিগিৰীহঁতে দৌৰি আহি কাউৰীটোক খেদি পঠালে।

খিৰিকীয়েদি কাউৰী সোমোৱাৰ লগে লগে ৰজাৰ মনতো এক বিশেষ চিন্তা সোমাল। ৰজাই তেওঁৰ মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, মোৰ বিজয়পুৰত কিমান কাউৰী আছে—যিজনে সঠিককৈ ক'ব পাৰিব, তেওঁক পুৰস্কাৰ দিয়া হ'ব। কিন্তু যিজনে এই সংখ্যা ক'ব নোৱাৰিব, সেইজনে একুৰি সৌকাৰ কোব খাব লাগিব।"

ৰজাৰ আদেশ মতে মহামন্ত্ৰীয়ে ঘোষণা কৰি দিলে কথাটো। ঘোষণা কৰাৰ পাছত এসপ্তাহ পাৰ হ'ল : কিন্তু কাউৰীৰ সংখ্যা ক'বলৈ কোনো নাহিল। কাউৰীৰ সংখ্যা ৰজাক কোনেও নক'লে।

ঠিক তেতিয়াই বুদ্ধিশ্বৰ নামৰ এজন যুৱক ৰাজধানীলৈ আহিছিল চাকৰি বিচাৰি। ৰজাৰ এই আজব ঘোষণা শুনি বুদ্ধিশ্বৰ অবাক হ'ল। ৰজাৰ বাস্তৱ-জ্ঞান সম্পৰ্কে বুদ্ধিশ্বৰ সন্দিহান হৈ উঠিল। ইকথা-সিকথা ভবা-গুণা কৰি বুদ্ধিশ্বৰ ৰজা চন্দ্ৰসেনৰ ওচৰলৈ গ'ল।

বুদ্ধিশ্বৰে ৰজাক ক'লেগৈ, "মহাৰাজ, মই পঢ়া-শুনা সাং কৰাৰ অন্তত চাকৰি বিচাৰি বিজয়পুৰৰ অসংখ্য গাঁও-চহৰতো ঘুৰি ফুৰিলোঁ বহু দিন ধৰি। চাকৰি পোৱা নাই ঠিকেই ; কিন্তু আন এটা বিশেষ লাভ হৈছে মোৰ ঃ আমাৰ দেশত

মুকুল বৰা

কিমান কাউৰী, বগলী, শেন, শগুণ আৰু বিভিন্ন চৰাই আছে—ক'ব পৰা হ'লোঁ মই। অৱশ্যে ফেঁচা যিহেতু নিশাচৰ, সিহেতুকে, ফেঁচাৰ সঠিক সংখ্যা জনা নহ'ল।"

বুদ্ধিশ্বৰৰ কথা শুনি ৰজাই ক'লে, "তোমাৰ কথা যদি সঁচে-কাটে সঁচা, তেনেহ'লে—চৰাই-চিৰিকতিলৈ তোমাৰ এক প্ৰশংসনীয় আসক্তি আছে বুলিহে ক'ব লাগিব। কিন্তু মোক লাগে কেৱল কাউৰীৰ সংখ্যা।"

"কাউৰীৰ সংখ্যা মই জানো, মহাৰাজ।" বুদ্ধিশ্বৰে ক'লে।

"শুনা, সঠিক সংখ্যা ক'ব নোৱাৰিলে কিন্তু একুৰি সৌকাৰ কোব খাব লাগিব। কথাটো তুমি জানিছানে?" ৰজাই বুদ্ধিশ্বৰক সুধিলে।

"শুনিছোঁ, মহাৰাজ।" বুদ্ধিশ্বৰে ৰজাক ক'লে, "এই মুহূৰ্তত আমাৰ দেশত তিনি-লাখ বিছ হেজাৰ কাউৰী আছে।"

"হয়নে কি!" ৰজাই ক'লে, "কিন্তু সংখ্যাটো সঠিক হয়নে নহয় তাৰ প্ৰমাণ ল'ব লাগিব। মই কতোৱালৰপৰা আৰম্ভ কৰি গাঁওবুঢ়া—সকলোটিৰেপৰাই নিজ নিজ এলাকাৰ কাউৰীৰ সংখ্যা খুজি পঠাম। এইদৰে, প্ৰতি এলেকাৰপৰা পোৱা সংখ্যাৰ লগত যদি তোমাৰ সংখ্যা মিলে—নিশ্চয় পুৰস্কাৰ পাবা। আৰু নিমিলিলে সৌকাৰ কোব খাবা।"

"মহাৰাজ, আমাৰ দেশত তিনি লাখ বিছ হেজাৰ কাউৰী—এই মুহূৰ্তত—আছে বুলি কৈছোঁ। সমস্ত এলেকাৰপৰা পোৱা সংখ্যাৰ যোগফল মোৰ সংখ্যাৰ সৈতে নিমিলিবো পাৰে। কিয়নো কাউৰী হ'ল অতি স্বাধীনতাপ্ৰিয় প্ৰাণী। সিহঁতে দেশ-বিদেশৰ সীমা নামানে। ইচ্ছামতে অ'লৈ-ত'লৈ যায়—আহে। সিহঁত যে কেৱল আমাৰ ইয়াতেহে ঘূৰি ফুৰিব উৰি ফুৰিব তাৰ মানে নাই। কেতিয়াবা

ইয়াৰপৰা অসংখ্য কাউৰী আনলৈ গুচি যায়গৈ, আকৌ কেতিয়াবা আন দেশৰপৰা জাকে জাকে ইয়ালৈ আহে। এইবোৰ কথা আপুনি—আপুনি নিজ চকুৰে নেদেখালৈকে কিজানি বিশ্বাসেই নকৰিব। এইদৰে, বিদেশী কাউৰীয়ে কেতিয়াবা দেশৰ কাউৰীৰ সংখ্যা অনেক বঢ়াই দিয়ে, আৰু, দেশৰপৰা থলুৱা কাউৰী গুচি গ'লে কেতিয়াবা কমিও যায়। এতেকে সদায় যে তিনিলাখ বিছহেজাৰ কাউৰী থাকিব তাৰ মানে নাই, মহাৰাজ।"

ৰাজসভাস্থ ব্যক্তিবৰ্গ ই বুদ্ধিশ্বৰৰ বুদ্ধিক শলাগিলে। তেতিয়া ৰজাই বুদ্ধিশ্বৰক ক'লে, "তোমাৰ কথাত যুক্তি নথকা নহয়। যি কি নহওক, তুমি কেনেকুৱা পুৰস্কাৰ ল'বা কোৱাঁ।"

বুদ্ধিশ্বৰে অলপ ভাবি লৈ ক'লে, "মহাৰাজ, মোক ক্ষমা কৰিব। ৰজা মহাৰজাসকলে সাধাৰণতঃ প্ৰজাৰ মংগল-চিন্তাহে কৰে। আৰু—অলাগতিয়াল কাম কৰাৰ সময়েইবা ক'ত পাব ৰজা-মহাৰজাই? মই দেশৰ বিভিন্ন ঠাইত ঘূৰি ফুৰোঁতে—বহু ঠাইত খোৰাপানীৰ আৰু খেতি-বাতিৰ বাবেও পানীৰ প্ৰকট অভাব লক্ষ্য কৰিছোঁ। আকৌ, আমাৰ দেশতে, বানপানীয়ে খেতি-বাতি নষ্ট কৰা ঠাইৰো অভাব নাই। এনে ধৰণৰ বহুতো সমস্যা দেশৰব হুতো অঞ্চলতে বিদ্যমান।



এতেকে—দেশৰ বিভিন্ন অঞ্চলত ঘূৰি ঘূৰি ক'ত কেনে সমস্যা আছে—সেই কথা জনোৱাৰ দায়িত্ব যদি মোক দিয়ে, সেয়ে হ'ব মোৰ আটাইতকৈ ডাঙৰ পুৰস্কাৰ।"

বুদ্ধিশ্বৰৰ কথাত অত্যন্ত ভাল পাই ৰজাই তাক ক'লে, "তোমাক মই মোৰ পৰমৰ্শদাতাৰ পদত নিযুক্ত কৰিলোঁ। সমগ্ৰদেশত ঘূৰি-ফুৰি তুমি বিভিন্ন সমস্যাৰ কথা জানিলা, আৰু জানিবা। আমাৰ প্ৰজাবৰ্গৰ একান্ত জৰুৰী সমস্যা যে কী—তুমি নিশ্চয় জানা। সেয়েহে—তোমাৰ পৰামৰ্শ মতে কাম কৰিলে নিশ্চয় প্ৰজাবৰ্গৰ মংগল হ'ব।"

"মহাৰাজ, আপুনি মোক যি কামৰ বাবে নিযুক্ত কৰিলে, সেই কাম তথা কৰ্তব্য মই নিষ্ঠাৰে পালন কৰিম।" বুদ্ধিশ্বৰে ক'লে।

"আন এটা দায়িত্বো তোমাক দিম! মোৰ একমাত্ৰ দহবছৰীয়া পুত্ৰক অধ্যয়নৰ বাবে কোনো টোললৈ নপঠাওঁ। ময়ো মোৰ শিক্ষাজীৱন টোলতেহে আছিলোঁগৈ; কিন্তু মোৰ বাস্তৱজ্ঞান কিমানখিনি হ'ল—এতিয়া ভালেকৈয়েই বুজিছোঁ। এতেকে—মোৰ পুত্ৰ সূৰ্য্যক লিখা-পঢ়া শিকোৱাৰ দায়িত্বো তোমাৰ ওপৰতে অৰ্পিলোঁ। তুমি এই দায়িত্ব গ্ৰহণ কৰা যদি, মই, আৰু ৰাণী—আমি দুয়ো, নথৈ আনন্দিত তথা বিশেষভাৱে বাধিত হ'ম।" ৰজা চন্দ্ৰসেনে বুদ্ধিশ্বৰক ক'লে।

"মহাৰাজ, আপোনাৰপৰা গধুৰ দায়িত্ব লাভ কৰি মই বৰ সন্মানিত বোধ কৰিছোঁ। এই দায়িত্ব সঠিকভাৱে পালন কৰিবলৈ মই আপ্ৰাণ চেষ্টা কৰিম।" বুদ্ধিশ্বৰে ৰজাক ক'লে।

এইদৰে, বুদ্ধিশ্বৰে ৰজাৰপৰা আন কোনো পুৰস্কাৰৰ সলনি দেশৰ মংগলকৰ কাৰ্য্যৰ দায়িত্বভাৰ লৈ ৰজাৰ তথা প্ৰজাৰো ধন্যবাদভাজন হ'ব পাৰিছিল। ■



কাঁহুৰ কিল্লা



৭-৮

তান্ত্ৰিক বৃদ্ধা কাপালিনীৰ কথা শুনি আৰু ক্ষমতা দেখি ৰাজকোঁৱৰ চন্দ্ৰবৰ্মা মোহাৱিষ্ট হৈ পৰিল। এই তান্ত্ৰিক বৃদ্ধা যে অসীম শক্তিৰ অধিকাৰিণী সেই কথাত তেওঁ নিঃসংশয় হ'ল। মহাতান্ত্ৰিক শংখৰপৰা কি বস্তু লৈ আহিব লাগিব সেই কথাটো সোধাত বৃদ্ধা কাপালিনীয়ে চন্দ্ৰবৰ্মালৈ স্থিৰভাৱে চাই থকাৰ পাছত লাহে লাহে ক'বলৈ ধৰিলে সেই বস্তুৰ কথা, তান্ত্ৰিক শংখৰ কথা···

কাপালিনীয়ে চন্দ্ৰবৰ্মাক কৈ থাকিল, "শুনা চন্দ্ৰবৰ্মা, তান্ত্ৰিক শংখৰ ঘৰত অতি শক্তিশালী শংখ এটা আছে। এজোপা বিশেষ গছৰ শিপা সিজাই, সেই সিজোৱা পানী সেই শংখটোৰ ভিতৰত দুই প্ৰহৰ সময় ৰাখি তাৰ পাছত পি-খালে মোৰ এই বৃদ্ধাৱস্থা গুচি মই পুনৰ যৌৱনকাল ঘূৰাই পাম। আৰু অহা এহেজাৰ বছৰৰ ভিতৰতো বাৰ্দ্ধক্যই মোৰ কাষ নাচাপে। মাত্ৰ এই বস্তুটোকে—শংখ তান্ত্ৰিকৰ

শংখটোকে ছলে-বলে-কৌশলে—যেনে-কৈয়েই নহওক—লৈ আহিব লাগিব। ইয়াৰপৰা এশ যোজন নিলগত ৰিমবম্ পৰ্বতৰ ওপৰত এটা মন্ত্ৰগৃহ দেখা পাবা। সেই মন্দিৰৰূপী গৃহৰ এটা কোঠাত এটা বিৰাট কদাকাৰ সাপৰ গাত এই শংখটোক ওলমি থকা দেখা পাবা। পিছে এটা কথা মনত ৰাখিবা—এবছৰ অৰ্থাৎ তিনিশ পঁয়ষষ্ঠি দিনৰ ভিতৰত শংখটো লৈ যদি ইয়ালৈ উভতি নাহাঁ, সেই শংখেৰে মোৰ আৰু একো কাম নহ'ব আৰু, যদিও, মই এই ঠাই এৰি গুচি যোৱাৰ আগতে তোমাৰ কাৰণে এই গোলক আৰু তাল-পাতৰ পুঁথি থৈ যাম। এই দুটা বস্তু আৰু সেই শংখৰ সহায়ত তুমি পুনৰ তোমাৰ পিতৃ-সিংহাসন নিশ্চিতভাবে অধিকাৰ কৰিব পাৰিবা।"

কাপালিনীধ কথাত চন্দ্ৰবৰ্মাৰ মনত গভীৰ বিশ্বাস উপজিল আৰু তেওঁ কাপালিনীক ক'লে, "মই তোমাক কথা দিছোঁ কাপালিনী, ঠিক এবছৰৰ ভিতৰত তোমাৰ আকাংক্ষিত শংখটো মই আনি দিম। এই মামটো নকৰালৈকে মই বিশ্ৰাম নলওঁ—তোমাক মই কথা দিলোঁ। মই এতিয়াই ৰাওনা হওঁ তেন্তে।"

"ওঁ, এটা কথা ক'বলৈ পাহৰিলোঁ। শংখ তান্ত্ৰিকৰ ওচৰত এটা ভয়ংকৰ চৰাই আছে। এই চৰাইটোৰ নাম 'অগ্নিপক্ষী'। ই আকাশপথেদি উৰি যাওঁতে একুৰা জুই গৈ থকা যেন লাগে। এই অগ্নি-পক্ষীটোৱে প্ৰতিদিন সূৰ্য্যাস্তৰ লগে লগে তাৰ খাদ্য বিচাৰি ওলায় আৰু মাজনিশা পুনৰ তান্ত্ৰিক শংখৰ ওচৰলৈ উভতি আহে। আৰু, এটা কথা বিশদভাৱে মনত ৰাখিবা, তুমি উভতি আহোঁতে এবছৰতকৈ এটা দিন বেছি হ'লেও এই শংখেৰে মোৰ আৰু তেতিয়া একো কাম নহ'ব।" বুঢ়ী কাপালিনীয়ে শংখ তান্ত্ৰিকৰ কথাখিনি, আৰু লগতে নিজৰ সুবিধা-অসুবিধাখিনি



চন্দ্রবর্মাক বুজাই ক'লে।

চন্দ্রবৰ্মাই কাপালিনীক ক'লে, "মই শপত খাই কৈছোঁ, এবছৰ নৌহওঁতেই শংখ তান্ত্রিকৰ শংখ লৈ মই উভতি আহিমেই।"

কাপালিনীয়ে ৰহস্যময় হাঁহিৰে মুখখন উজলাই হাত-চাপৰি ৰজাই কালনাগক মাতি আনি ক'লে, "কালনাগ, এওঁক এই মহাৰণ্য পাৰ কৰি থৈ আহাঁগৈ।"

কালনাগ আগে আগে গৈ থাকিল আৰু পিছে পিছে গৈ থাকিল চন্দ্রবর্মা। কাপালিনীৰপৰা শেষ বাৰৰ বাবে বিদায় লোৱাৰ মনেৰে চন্দ্রবর্মাই ঘূৰি চাই স্তম্ভিত হৈ পৰিল। তাত কাপালিনী তো নায়েই কাপালিনীৰ সেই ঘৰ-দুৱাৰো নিমিষতে সেই ঠাইৰপৰা নোহোৱা হৈছে। য'ত কাপালিনীৰ ঘৰ-দুৱাৰ আছিল, তাত পৰি আছে মৃত শগুণৰ মূৰ আৰু সিংহ দৰে বিচিত্ৰ এটা জন্তু।

এনেবোৰ নাশ্রুত-নাভূত কাণ্ড-কার্যণাই চন্দ্রবর্মাক অবাক কৰি তুলিলেও তেওঁ তেওঁৰ সাহস অলপো নেহেৰুৱালে। কিন্তু কথাটো কাৰোবাক সুধিব পৰাহেঁতেন…। হঠাৎ এটা কথা ভাবি তেওঁৰ মনত আশাৰ সঞ্চাৰ হ'ল। কাপালিনীয়ে এই কালনাগক মানুহৰ ভাষাৰেই আদেশ-নির্দেশ দিয়ে, আৰু কালনাগেও সেই আদেশ মানুহে বুজি পোৱাৰ দৰেই বুজি পায়। কাপালিনীৰ কথাবোৰ কালনাগক সোধে যদি—কালনাগে ক'ব পাৰিবনে?

চন্দ্রবর্মাই কালনাগক সুধিলে, "কাল-নাগ, এই অৰণ্য পাৰ হওঁতে আৰুনো কিমান সময় লাগিব?"

চন্দ্রবর্মাৰ কথাৰ উত্তৰত কালনাগে তাৰ জিভাৰে দুই-তিনি প্ৰকাৰৰ বিচিত্ৰ শব্দ কৰিলে। এই শব্দ সাপৰ ফোচফোচনি নাছিল, আছিল অন্য শব্দ।

সাপ এটাৰ মুখৰপৰা বিচিত্ৰ শব্দ শুনি চন্দ্রবর্মা কৌতূহলী হৈ উঠিল। যি

কি নহওক, কালনাগ আগৰ দৰেই গৈ থাকিল আৰু অলপ পাছত চন্দ্ৰবৰ্মাক এখন নৈৰ তীৰলৈ লৈ আহিল।

হঠাৎ নৈৰ সিপাৰত থকা এজোপা পঞ্চাছ হাতমান ওখ গছৰপৰা চিঞৰ-বাখৰৰ শব্দ উঠিল। এই গছজোপাত বহুবিধ পশু-পক্ষীৰ মুণ্ড ওলমি আছিল। চন্দ্ৰবৰ্মা আৰু কালনাগক দেখা পাই এই মুণ্ডবিলাক উদণ্ড হৈ উঠিল। চন্দ্ৰবৰ্মাই কালনাগক সুধিলে, "এইজোপা বাৰু গছেইনে কিবা ৰাক্ষস-তাক্ষস?"

কালনাগে গছজোপাত বগাই উঠিবলৈ ইংগিত কৰিলে চন্দ্ৰবৰ্মাক। সাহসেৰে মন বান্ধি লৈ, কঁকালত থকা তৰোৱালখন হাতত দাঢ়ি ধৰি গছজোপাৰ ওচৰলৈ গৈ জোৰেৰে তৰোৱালেৰে ঘপিয়ালে। মুহূৰ্ততে অৰণ্য কঁপাই ভয়ংকৰ ধ্বনি উঠিল। সেই ধ্বনি শুনি কালনাগৰ ফোচফোচনি বন্ধ হৈ গ'ল। চন্দ্ৰবৰ্মাই চকুৰ পচাৰতে গছৰ ওপৰলৈ উঠি গ'ল আৰু গছৰ ডালত ওলমি থকা এটা বাঘৰ মুণ্ডত সজোৰে ঘপিয়ালে। লগে লগে বাঘৰ মূৰটো তললৈ মাটিত পৰি এটা ফল হৈ গ'ল।

চন্দ্ৰবৰ্মাই লক্ষ্য কৰিল যে কালনাগে এই ফলৰূপী বাঘৰ মুণ্ডটোক মেৰিয়াই ধৰিছে। তৎক্ষণাৎ গছৰপৰা নামি আহি চন্দ্ৰবৰ্মাই ফলটোত ধৰি কামুৰি দিলে আৰু লগে লগে কালনাগে হাঁহি উঠিল। আৰু কালনাগৰ বিচিত্ৰ হাঁহি শুনি চন্দ্ৰবৰ্মাই কালনাগলৈ ঘূৰি চালে।

"এই গছজোপাৰ ডালবিলাকত ওলমি থকা মুণ্ডবিলাক যে আচলতে কি—এতিয়া নিশ্চয় বুজি পাইছা?" কালনাগে চন্দ্ৰবৰ্মাক সুধিলে।

কালনাগৰ এই কথাই চন্দ্ৰবৰ্মাৰ চকু মুকলি কৰিলে। তেওঁ বাঘৰ মূৰৰূপী ফলটোত কামুৰি দিয়াৰ লগে লগেই কালনাগে মাত-বোল কৰাৰ শক্তি ঘূৰাই পোৱা হ'ল। এই ঘটনা ঘটাৰ আগলৈকো

কালনাগে কেৱল সাপৰদৰে ফোচ-ফোচাবহে পাৰিছিল।

কালনাগে চন্দ্ৰবৰ্মালৈ পুনৰ চাই ক'লে, "এই ফলটোত কামুৰি দিয়া বাবে তুমি পশু-পক্ষীহঁতৰ মাত-বোল বুজি পাইছা। শংখ তান্ত্ৰিকৰ অন্যতম বিশ্বত ভক্ত হ'ল সেই অগ্নিপক্ষী। এতিয়া তুমি যে শংখতান্ত্ৰিকৰ অসাধাৰণ শক্তি-সম্পন্ন শংখ নিশ্চয় আনিব পাৰিবা। তুমি যে তোমাৰ কামত সফল হ'বা—সেই কথাত মোৰ অলপো সন্দেহ নাই। তোমাৰ বুদ্ধিমত্তা বিচক্ষণতা, উপস্থিত বুদ্ধি তথা সাহস দেখিহে মই এই কথা কৈছোঁ।"

চন্দ্ৰবৰ্মাই কালনাগক ক'লে "কালনাগ, তুমি মোক ঢেৰ সহায় কৰিলা, তাৰ পৰিৱৰ্তে ময়ো তোমাক সাধ্যমতে সহায় কৰিব খুজিছোঁ। এতিয়া—তোমাক কি লাগে কোৱা?"

অলপ পৰলৈ তাপ মাৰি থকাৰ অন্তত কালনাগে ক'লে, "হে চন্দ্ৰবৰ্মা, তুমি মোক সহায় কৰিব খুজিছা, তাৰ কাৰণে ধন্যবাদ। আৰু ময়ো তোমাৰপৰা এটা সৰু কামত সহায় ল'ম। পিছে—আগতে শংখটো লৈ আহাঁগৈ তাৰপৰা।"

কালনাগে পুনৰ গহীন-গম্ভীৰ কণ্ঠেৰে ক'লে, "তুমি শংখ তান্ত্ৰিকৰ সেই শংখটোৰে সৈতে ইয়ালৈ নোভতালৈকে মই দিনে-নিশাই সাৰে থাকিম।"

কৌতূহল দমাব নোৱাৰি চন্দ্ৰবৰ্মাই কালনাগক সুধিলে, "হেৰা কালনাগ, তুমি বাৰু সঁচাসঁচিকৈ এটা কথা সোধোঁ, সাপেইনে মানুহ কোৱাচোন?"

"এসময়ত মই মানুহেই আছিলোঁ। আৰু—" কালনাগে চাৰিওফালে মূৰ ঘূৰাই চাই লৈ চন্দ্ৰবৰ্মাক ক'লে, "মই আছিলোঁ তান্ত্ৰিক শংখৰ শিষ্য। কাপালিনীৰ অনিষ্ট কৰিবলৈ তান্ত্ৰিক শংখই মোক ইয়ালৈ পঠাইছিল। শংখৰ মতলব ধৰিব পাৰি কাপালিনীয়ে মোক মন্ত্ৰ মাতি

মানুহৰপৰা সাপলৈ পৰিৱৰ্তিত কৰিলে। তুমি সফল হৈ উভতি আহিলেহে মই এই ঘৃণ্য সৰ্পজীৱনৰপৰা মুক্তি লাভ কৰিম।" হুমুনিয়াহ কাঢ়ি কালনাগে ক'লে।

"এই সামান্য কাৰণত ইমানদিনলৈ জীয়াতু ভুঞ্জিব নালাগে। ব'লা মোৰ লগত, মই এতিয়াই কাপালিনীক কওঁগৈ। কাপালিনীয়ে যে মোৰ কথা—মানে—অনুৰোধ ৰক্ষা কৰিব, সেই বিষয়ে মই নিঃচিন্ত। তোমাক পুনৰ মানুহলৈ ৰূপান্তৰিত কৰিবলৈ মই কাপালিনীক অনুৰোধ কৰিম্ ব'লা।" চন্দ্ৰবৰ্মাই কালনাগক ক'লে।

কিন্তু কালনাগ চন্দ্ৰবৰ্মাৰ এই প্ৰস্তাৱত সন্মত নহ'ল। সি অলপ পৰলৈ মনে মনে থকাৰ পাছত চন্দ্ৰবৰ্মাক ক'লে, "শুনা চন্দ্ৰবৰ্মা, তুমি কাপালিনীক এতিয়ালৈকো ভালকৈ চিনি নাপালা। আৰু নাপাবাও। কাপালিনীয়ে মুখৰ মেহাৰেৰে সৱকে মুগ্ধ কৰে ; কিন্তু তাই প্ৰতিজন মানুহ, আনকি প্ৰতিটি প্ৰাণীৰ—গছ-গছনিকো কিজানি সন্দেহ কৰে। সকলোকে তাই তাইৰ তাইৰ প্ৰচণ্ড শত্ৰু বুলি ভাবে। এতিয়া আমি যদি তালৈ উভতি যাওঁ, কাপালিনীয়ে মোক মন্ত্ৰেৰে মাৰি পেলাব আৰু তোমাকো মোৰ দৰে সাপ, বা কুকুৰ, চৰাই-চিৰিকতিলৈ সলাই দিব। কাপালিনীয়ে মুখেৰে একো নকয়, কাকো ইয়াৰপৰা নেখেদে ; পিছে—যি কৰে—তাৰে আৰু জীয়াই থকাৰ মন নোহোৱা হয়। গতিকে—এই কথাত ইমান খৰখেদা কৰাৰ দৰকাৰ নাই, লাহে-ধীৰে হ'লেও হ'ব। আৰু ইমানকাল ধৰি যেতিয়া সাপ হৈ বৰ্তি থাকিব পৰিছোঁ, তেতিয়া আৰু এবছৰলৈ কিয় নোৱাৰিম ?"

কালনাগে যে সঠিক কথাকে কৈছে, চন্দ্ৰবৰ্মাই বুজি পালে। মন্ত্ৰতন্ত্ৰৰ পূজাৰীহঁতে কাকো পূৰাপূৰিকৈ বিশ্বাস নকৰে। আৰু—কেনেবাকৈ এবাৰ কিবা কাৰণত অবিশ্বাস

কৰিলে জীৱনতো আৰু বিশ্বাস নকৰিব। এইবোৰ কথা ভাবি চন্দ্ৰবৰ্মাই কালনাগক আগবাঢ়ি যাবলৈ ইংগিত কৰিলে আৰু আৰু কালনাগেও আগৰদৰে আগুৱাই যাবলৈ ধৰিলে। চন্দ্ৰবৰ্মায়ো আগৰদৰে কালনাগৰ পিছে পিছে গৈ থাকিল।

ভৰ দুপৰীয়া কালনাগ আৰু চন্দ্ৰবৰ্মাই এডৰা বিৰাট অৰণ্য পালেগৈ। এই অৰণ্যৰপৰা সেই ৰিম্‌বম্ পৰ্বতৰ লানি দেখা দেখা গৈছে।

কালনাগে ক'লে, "চন্দ্ৰবৰ্মা, মই এতিয়া ইয়াৰপৰাই উভতি যামগৈ। কাপলিনীৰ নিৰ্দেশমতে মই তোমাক ইমান দূৰলৈ আগবঢ়াই দিলোঁ। ইয়াৰপৰা— এই মহাৰণ্যৰপৰা সেই ৰিম্‌বম্ পৰ্বতলৈ যাওঁতে বহুবাৰ বিপদৰ মুখামুখি হ'ব লাগিব এই বিশেষ কথাটো তুমি সদায় মনত ৰাখিবা।"

তাৰ পাছত কালনাগ উভতি যাবলৈ ধৰিলে। চন্দ্ৰবৰ্মাই কালনাগ উভতি যোৱালৈ চাই ৰ'ল। কালনাগেও খাবে বাৰে চন্দ্ৰবৰ্মালৈ উভতি চালে।

কালনাগ যেতিয়া দৃষ্টিসীমাৰ বাহিৰ হ'ল, তেতিয়া চন্দ্ৰবৰ্মাই ৰিম্‌বম্ পৰ্বতলৈ বুলি খোজ ল'লে। বাটত খোজেপতি চটাচটে শিল আৰু বিৰাট বিৰাট গছ। আৰু সেই মহাৰণ্যত শুনা গৈছিল বিভিন্ন হিংস্ৰ জন্তু জানোৱাৰৰ গৰ্জন। আগতে চন্দ্ৰবৰ্মাই পশু-পক্ষীহঁতৰ মাত-বোল একোৱেই বুজি পোৱা নাছিল। কিন্তু এতিয়া—সেই বাঘফলত কামুৰি দিয়াৰ পাছৰোপৰাই তেওঁ পশু-পক্ষীৰ মাত-বোল সম্পূৰ্ণ বুজি পোৱা হ'ল। তেতিয়া জন্তু-জানোৱাৰ আৰু চৰাইহঁতেও—এই জংগলত এজনী নতুন ৰাণী আহিল বুলি কোৱাকুই কৰি আছিল পৰস্পৰ মাজত।

সূৰ্যোদয়ৰপৰা সূৰ্য্যাস্তলৈকে চন্দ্ৰবৰ্মাই উত্তৰ দিশলৈ খোজকাঢ়ি আছিল। খোজ কাঢ়ি কাঢ়ি তেওঁৰ ভাগৰো লাগিল

আৰু ভোকৰ পোৰণিতো তেওঁ অস্থিৰ হৈ উঠিল। তেওঁ এজোপা বিশাল গছৰ তলত থিয় হৈ চাৰিওফালে চাবলৈ ধৰিলে; কিন্তু ক'তো-কেনিও এজোপা ফলৰ গছ তেওঁৰ চকুত নপৰিল।

চন্দ্ৰবৰ্মাই নিজক নিজে কোৱাদি ক'লেঃ ইয়াত আৰু বৈ থাকি লাভ নাই। আগুৱাই যোৱাই ভাল। তেতিয়া চাগৈ ফলৰ গছ এজোপাও পোৱা যাব। চন্দ্ৰবৰ্মাই তাত মিছামিছিকৈ নবৈ পোনে পোনেই আগবাঢ়ি গৈ থাকিল।

আৰু কিছুদূৰলৈ আগবাঢ়ি সঁচা-সঁচিকৈয়েই ফলৰ গছ এজোপা দেখা পালে। গছজোপাৰ ওচৰত বিৰাট শিল এচটা আছিল। চন্দ্ৰবৰ্মাই সেই শিলচটাৰ ওপৰত থিয় হৈ গছৰপৰা ফল বুটলি খাই থাকিল। তেওঁ এখন প্ৰবহমানা নৈ দেখা পাই মোহিত হ'ল। এই নৈৰ পানী আছিল বিচিত্ৰ। নৈৰ পানীত ইমান ভাঁপ থকা চন্দ্ৰবৰ্মাই তেওঁৰ জীৱনত আৰু দেখা নাছিল। এই বিচিত্ৰ নৈৰ গতিবিধিলৈ লক্ষ্য কৰি কৰি চন্দ্ৰবৰ্মাই বুজি পালে যে এই নৈখন সেই ৰিম্‌বম্ তথা অগ্নিপৰ্বতৰেপৰা ওলাইছে। তাৰ পাছত যি দৃশ্য তেওঁৰ চকুত পৰিল, সেই দৃশ্যই তেওঁক হতবাক কৰি পেলালে। তেওঁ দেখা পালে—এটা বিৰাট আয়তনৰ সাপ নৈখনৰ দুয়োপাৰ জুৰি সাঁকোৰ দৰে শুই আছে। সাপটোৰ তথা সাপৰ দলঙৰ ওপৰেদি কিছুমান বান্দৰ দৌৰি পাৰ হৈ নৈৰ সিপাৰলৈ গ'ল।

চন্দ্ৰবৰ্মাই ভাবিলেঃ নৈৰ সিপাৰলৈ যাবই লাগিব। আৰু যাব লাগিবই যেতিয়া—বান্দৰবিলাকৰ দৰে ৰাক্ষনি-বেলিৰ ৰতোৱাল মাৰ যোৱাৰ আগতেই নাযাওঁ কিয়? এই কথা ভাবি, চন্দ্ৰবৰ্মাই দলংৰূপী সাপটোৰ পিঠিৰ ওপৰেদি একে-লৰে নৈৰ সিপাৰলৈ গ'লগৈ। [অহা সংখ্যাত



দূৰদৰ্শী

পুনৰ প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। গছৰ ডালত ওলমি থকা শ'টো নমাই, কান্ধত কঢ়িয়াই লৈ, মাজনিশা মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা বিক্ৰম, এতিয়া তুমি কোমল শয্যাত শুই থাকিবহে লাগিছিল। তুমি কিয় যে ইমানকাল ধৰি নিৰলসভাৱে এই কাম কৰি আছা— তুমিহে ক'ব পাৰিবা। পিছে—যদিহে কিবা বিশেষ স্বাৰ্থৰ কাৰণে এই শ্ৰম কৰিছা, তেনেহ'লে তোমাক আন এগৰাকী স্বাৰ্থপৰ জৰাৰ কাহিনী কওঁ শুনা।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে ঃ

শৰভ নামৰ এগৰাকী তান্ত্ৰিক আছিল। এদিন তেওঁ সূৰ্য্যোদয়ৰ কালত নৈৰ পানীত স্নান কৰি, ঘৰমুৱা হোৱাৰ লগে

'বেতাল-কথা'



লগে তালৈ আন এজন মানুহ আহিল। সাজ-পাৰ চাই শৰভে বুজিলে যে এই মানুহজনো এজন তান্ত্ৰিক।

শৰভে অবাক হৈ মানুহজনলৈ চালে। তেতিয়া অগন্তুক তান্ত্ৰিকে মিচিকীয়াই হাঁহি মাৰি সুধিলে, "তুমিয়েই শৰভনে? তুমিয়েইনে সেই বিখ্যাত তান্ত্ৰিক? তুমি মন্ত্ৰতন্ত্ৰ সকলো শিকি আহি ইয়াত নিগাজী হৈ বহিছা?"

আগন্তুকৰ কথা শুনি শৰভৰ প্ৰচণ্ড খং উঠিল। শৰভে খঙতে কৈ উঠিল, "নাই শিকা। মোৰ শিকিবলগীয়া একো নাই। ময়ে মন্ত্ৰশাস্ত্ৰ প্ৰস্তুত কৰিছোঁ। মোক দহখন দেশৰ ৰাইজে মহাতান্ত্ৰিক বুলি জানে, আৰু মানে।"

"হয়নেকি? মই চুবুৰীয়া ৰাজ্যত থাকোঁ। মানুহে মোক মহাতান্ত্ৰিক বুলি গণে, মোক কথা শুনে আৰু দেওধৰ বুলিলেই চিনে।" আগন্তুকে ক'লে।

"তেনেহ'লে তুমি দেখিছোঁ তান্ত্ৰিক হিচাপে মোৰ সমকক্ষ। একেখন আকাশত দুটা সূৰ্য্য থকা যেনেকৈ সম্ভৱ নহয়, তেনেকৈ একেখন আকাশৰ তলত দুজন মহাতান্ত্ৰিক থকাটোও অসম্ভৱ। শৰভে দেওধৰক ক'লে।

"দেওধৰে সুধিলে, "কথাটো—হওঁতে ঠিকেই। হ'ব পাৰে—তোমাৰ শক্তি মোতকৈ অধিকো। কিন্তু সেই কথা প্ৰমাণ কৰিব তো লাগিব।"

"আলবৎ প্ৰমাণ কৰি দিম। ইচ্ছা কৰিলে মই দেশখন একেবাৰে পানী নোহোৰা কৰি পেলাব পাৰোঁ।" শৰভে সগৰ্বে দেওধৰক ক'লে।

"আৰু মই মুহূৰ্ততে পানী সৃষ্টি কৰি অসংখ্য প্ৰাণ ৰক্ষা কৰিব পাৰোঁ।" দেওধৰে শৰভক ক'লে।

"মই একেবাৰে ছনপৰা মাটিতো সোণোৱালী শস্য ওপজাব পাৰোঁ।" শৰভে সদম্ভে ক'লে।

"আৰু মই চকু পচাৰতে তোমাৰ সেই শস্যক ভস্ম কৰি পেলাব পাৰো।

শৰভে তেতিয়া বিৰক্তিৰে ক'লে, "ইমান বেলবেলাব নালাগে। মই কি কাম কৰিলে তুমি মোক অসীম শক্তিমান বুলি ভাবিবা কোৱাচোন?"

দেওধৰে শান্তভাৱে ক'লে, "তুমি বাৰু দীৰ্ঘ দিন ধৰি বেমাৰত ভুগি থকাজনক সুস্থ কৰি তুলিব পাৰিবানে?"

"এই কাম ফু ৰে হৈ যাব।" শৰভে অৱহেলাৰে ক'লে।

"তুমি পানী সৃষ্টি কৰিব পাৰিবা?" দেওধৰে সুধিলে।

শৰভে মূৰ দুপিয়ালে।

অলপ পৰলৈ তাপ মাৰি থকাৰ পাছত দেওধৰে শৰভক লাহেকৈ সুধিলে, "কোন শত্ৰু আৰু কোন মিত্ৰ—কেৱল মুখ চাই কৈ দিব পাৰিবা?"

শৰভে পিৰিকিয়ালে মাথোন।

দেওধৰে সবিনয়ে ক'লে, "তোমাৰ সমুখত থিয় হৈ থকা মানুহজনে তেওঁৰ মনত কি ভাবিছে—কৈ দিব পাৰিবানে?"

শৰভে এইবাৰো মূৰ দুপিয়াই ক'লে যে—পাৰিব। আৰু কৈয়েই, পাছমুহূৰ্ততে দেওধৰক সুধিলে, "বাৰু য়িমানবোৰ পাৰিম বুলি ক'লোঁ—তুমি পাৰিবানে?"

"নিশ্চয় পাৰিম। দেওধৰে ক'লে।

"পিছে—কেৱল 'পাৰিম' বুলি ক'লেই তো নহ'ব। বাজি মাৰি প্ৰমাণ দিয়া।" শৰভে টপৰাই ক'লে।

"কেনেকুৱা বাজি?" দেওধৰে সুধিলে,

"যিকোনো বাজিত মই ৰাজী।"

দেওধৰে অলপ পৰলৈ ভাবি লৈ ক'লে, "যিজন হাহিৰ--তেওঁ আনজনৰ দাসত্ব মানি ল'ব লাগিব। এয়া হ'ল প্ৰথম চৰ্ত। দ্বিতীয় চৰ্ত হ'ল যে—হাৰি যোৱাই জীৱনতো কেতিয়াও মন্ত্ৰশাস্ত্ৰ তন্ত্ৰমন্ত্ৰৰ নামকে ল'ব নোৱাৰিব।"

"ঠিক আছে, ৰাজী।" শৰভে ক'লে।

"এতিয়া আন এটা সৰু কথা আছে। এই কথাটো মানি ল'বই লাগিব। প্ৰথমে তুমি বিভিন্ন আশ্চৰ্য্য ঘটনা প্ৰদৰ্শন কৰি তোমাৰ ক্ষমতাৰ চিনাকি দিবা। তাৰ পাছত মই দেওধৰে ক'লে।"

দেওধৰৰ এই কথাতো শৰভ মান্তি হ'ল। তাৰ পাছত দুয়োজন তান্ত্ৰিকে বাট বুলি বুলি গৈ থাকিল। গৈ গৈ দুয়ো এখন গাঁও পালেগৈ। ইয়াত একেৰাহে তিনি বছৰমান বৰষুণ নিদিয়াত খেতিপথাৰ শুকাই ফাটি গৈছিল। পুখুৰী, নাদ আদিও শুকাই খৰখৰীয়া মাৰিছিল। ৰাইজৰ কষ্টৰ সীমা নাছিল।

তেতিয়া দেওধৰে শৰভক ক'লে, "এতিয়া তুমি তোমাৰ ক্ষমতা জাহিৰ কৰাচোন চাওঁ।"

শৰভে চকুমুদি মন্ত্ৰ মাতিবলৈ ধৰিলে। আৰু পাছমুহূৰ্ততে আৰম্ভ হ'ল দোপালপিটা বৰষুণ। গাঁৱৰ নাদ, পুখুৰী, খাল-বিল পথাৰ পানীৰে পৰিপূৰ্ণ হৈ উঠিল। ৰাইজ আনন্দত মতলীয়া হ'ল। ল'ৰা-বুঢ়া-মেথা গাভৰুইঁতো বলিয়াহেন হৈ উঠিল। বিজয়গৰ্বৰে গৰ্বিত শৰভে দেওধৰলৈ কৰুণাৰ দৃষ্টিৰে চালে। দেওধৰে শৰভক উচ্ছ্বসিতভাৱে শলাগি ক'লে, "তুমি যে অসীম শক্তিশালী তান্ত্ৰিক হাতে-কামে তাৰ প্ৰমাণ পালোঁ।"

শৰভে সদম্ভে ক'লে, "মই প্ৰমাণ

দিলোঁ। এতিয়া আন কোনোবা ঠাইত তুমিও প্ৰমাণ দিয়াচোন চাওঁ ?"

দেওধৰে হাঁহি মাৰি ক'লে' "চৰ্ত হ'ল এয়ে যে—পোনে প্ৰথমে তুমি তোমাৰ সকলো ক্ষমতা প্ৰদৰ্শন কৰিবা। তাৰ পাছতহে মোৰ পাল।"

"বাৰু, সেয়ে হওক।" শৰভে ক'লে।

তাৰ পাছত দুয়ো আকৌ খোজ কাঢ়ি থাকিল। দেওধৰে শৰভক ক'লে, "ব'লা ৰাজধানীলৈ যাওঁ ব'লা। এই দেশৰ ৰাজকুঁৱৰী বহু দিন হ'ল নৰিয়া-পাটীত পৰি ককবকাইছে। তেওঁক যদি সুস্থ কৰি তুলিব পাৰা—তেনেহ'লে তোমাৰ বিৰাটত্ব সম্পৰ্কে আৰু সন্দেহ নাথাকিব।"

দুয়ো ৰাজধানী পালেগৈ। দেওধৰ আৰু শৰভ ৰজাৰ কাষ চাপিল। দুজনৰ বক্তব্য শুনাৰ পাছত ৰজাই দুয়োকো ৰাজকুঁৱৰীৰ ওচৰলৈ লৈ গ'ল।

শৰভ ৰাজকুঁৱৰীৰ পালেঙৰ কাষত থিয় হ'ল গৈ। বুঢ়া আঙুলিৰে ৰাজকুঁৱৰীৰ চকু ছুই কিবাকিবি মন্ত্ৰ মাতিলে। আৰু লগে লগে হাঁহিমুখীয়া ৰাজকুঁৱৰী বিছনাৰ ওপৰত উঠি বহিল, যেনিবা তেওঁ দীঘলীয়া টোপনিৰ অন্তত সাৰ পাইহে উঠিল। ৰাজকুঁৱৰী এতিয়া সম্পূৰ্ণ সুস্থ। ৰজা আনন্দৰ আবেগত বাক্যহাৰা হ'ল। দেশৰ বিখ্যাত বিখ্যাত চিকিৎসকলেও ৰাজ-কুঁৱৰীক ভাল কৰি তুলিব পৰা নাছিল।

হোৱা চুক্তি অনুসাৰে আৰু মাত্ৰ এটা বিষয়ত তোমাৰ ক্ষমতাৰ চিনাকি দিলেই হ'ব। তাৰ পাছত মই মোৰ তন্ত্ৰশক্তিৰ পৰিচয় দিম। এতিয়া, মোৰ শেষ প্ৰশ্ন এই মুহূৰ্তত মই মোৰ মনত কি ভাবি আছোঁ ক'ব পাৰিবানে?"

অলপ পৰলৈ ভাবি, মন্ত্ৰ আওৰাই, হঠাৎ শৰভে ক্ৰুদ্ধ দৃষ্টিৰে দেওধৰলৈ চাই ক'লে, "এই মুহূৰ্তত তুমি কি ভাবিছা—কওঁনে? এতিয়া মোৰ সকলো কথা মিছা বুলি কৈ, মোৰ সোঁহাতৰ তৰ্জনী কাটি পেলাই মোৰ মন্ত্ৰশক্তি লুপ্ত কৰিবলৈ চেষ্টা কৰিবা।"

এই কথা শুনি দেওধৰ অতি বিস্মিত হ'ল। শৰভে দাঁত-মুখ কৰচি কৈ উঠিল, "পাজী, বদমাছ—তোমাৰ মনৰ কথা মই বুজি পোৱা নাই বুলি ভাবিছানে? তুমি যে আচলতে কি—তাকো মই জানো। তোমাৰ নামো দেওধৰ নহয়। তোমাৰ নাম হ'ল দেৱদত্ত। তুমি কদাপি তান্ত্ৰিক নাছিলা। তুমি হ'লা এই দেশৰ মন্ত্ৰী। খৰাং বতৰৰপৰা দেশৰ প্ৰজাক, অস্থুস্থতাৰ পৰা ৰাজকন্যাক ৰক্ষা কৰিবলৈহে তুমি এইবোৰ ছলাহী কথা-কাণ্ডবোৰ কৰিছা। তোমাৰ নিজ উদ্দেশ্য পূৰণৰ কাৰণেহে এই নাটৰ আখৰা পাতিছা!"

দেওধৰে ৰজাৰ সৈতে কিছু সময় ধৰি একান্তভাৱে কথা পাতিলে। তাৰ পাছত শৰভক ক'লেহি, "আমাৰ ৰজাৰ কিছুমান মানুহ বিদ্ৰোহী হৈ উঠিছে। সিহঁতে ৰজাক সিংহাসনচ্যুত কৰাৰ ষড়যন্ত্ৰ পাতিছে। তুমি এই চক্ৰান্তকাৰীহঁতৰ নাম কৈ দিব পাৰিবানে?"

শৰভ তৎক্ষণাৎ সন্মত হ'ল। শৰভে মন্ত্ৰমাতি যিহঁতৰ নাম ক'লে, ৰজাই সিহঁতক তৎক্ষণাৎ বন্দী কৰোৱালে।

ৰাজসভা ভংগ হোৱাৰ পাছত শৰভৰ বিভিন্ন কাৰ্য্যৰ ভূয়সী প্ৰশংসা কৰাৰ অন্তত দেওধৰে শৰভক ক'লে, "আমাৰ

তেতিয়া ৰজাৰপৰা ইংগিত পাই চাৰিজন প্ৰহৰীয়ে হঠাৎ শৰভক গৰা মাৰি ধৰি কটকটীয়াকৈ বান্ধি পেলালে। তাৰ পাছত ৰজাই ঘোষণা কৰিলে, "এই তান্ত্ৰিকক বধ্যভূমিলৈ লৈ যোৱা আৰু অনতিপলমে ইয়াৰ শিৰশ্ছেদ কৰাঁ।"

প্ৰহৰীহঁতে তেতিয়াই তান্ত্ৰিক শৰভক বধ্যভূমিলৈ লৈ গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা বিক্ৰম, যিজন শৰভ তান্ত্ৰিকে ৰাজকুঁৱৰীক সুস্থ কৰি তুলিলে, দেশৰ খৰ-পীড়িত লাখ-বিলাখ প্ৰজাক দুৰ্ভিক্ষৰ কবলৰপৰা মুক্তি দিলে—কেনেকৈনো ৰজাই সেইজন উপকাৰী মানুহক মৃত্যুদণ্ড দিলে? উপকাৰীৰ এয়েনে পুৰস্কাৰ! শৰভক মৃত্যুদণ্ড দিয়াৰ সলনি বিৰাট পুৰস্কাৰেৰে পুৰস্কৃত কৰা উচিত নাছিলনে? ৰজাই ইমান ঘোৰ অন্যায় কিয় কৰিলে? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "তান্ত্ৰিক শৰভ আছিল অসীম মন্ত্ৰক্ষমতাসম্পন্ন তান্ত্ৰিক লোকৰ মংগল কৰাৰ আৰু অমংগল কৰাৰ ক্ষমতাও আছিল শৰভৰ মাজত। মন্ত্ৰীৰ বিৰুদ্ধে শৰভৰ ক্ৰুদ্ধ মনোভাব দেখাদেখকৈ ওলাই পৰিছিল। যিজনে মন্ত্ৰীক শত্ৰুজ্ঞান কৰিব পাৰে—সেইজনে ৰজাকো যে শত্ৰু বুলি নাভাবিব তাৰ অৰ্থ নাই। এনে ধৰণৰ তান্ত্ৰিকহঁত যেতিয়াই-তেতিয়াই অতি ভয়ংকৰ হৈ উঠিব পাৰে—এই কথা ভাবিয়েই দূৰদৰ্শী ৰজাই তান্ত্ৰিক শৰভক মৃত্যুদণ্ডেৰে দণ্ডিত কৰিছিল।"

ৰজা বিক্ৰমাদিত্যই এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

ৰহস্য

ৰামপুৰ গাঁৱত ৰাধাৰমণ এসময়ত—ক'বলৈ হ'লে—ক'লে একবস্ত্ৰে গাঁৱলৈ আহিছিল। কিন্তু এবছৰৰ ভিতৰতে ৰাধৰমণ এহালিচা মাটিৰ গৰাকী হৈ পৰিল। আৰু চাৰি বছৰৰ অন্তত তেওঁ এই গাঁৱৰ বিশিষ্ট ধনীকেইজনৰ এজন বুলি গণ্য হ'ল।

ৰামপুৰৰ সমীৰণে ৰাধাৰমণৰ এনে বৈ বৈ যোৱা আ-অৱস্থা দেখি বিস্মিত নহৈ নোৱাৰিলে। কেনেকৈ যে ইমান কম দিনতে ধনী হ'ব পাৰি—সেই কথাৰ ভু ল'বলৈ সমীৰণ এনিশা ৰাধাৰমণৰ ঘৰলৈ গ'ল। ৰাধাৰমণে তেতিয়া চাকি জ্বলাই আছিল। জ্বলি থকা চাকিটো লাহেকৈ যথাস্থানত থৈ, ঘৰৰপৰা বাৰাণ্ডালৈ ওলাই আহি, ৰাধাৰমণে সমীৰণক ক'লে, "কি কামত আহিলা কোৱাচোন?"

"বৰ ডাঙৰ কাম একো নহয়। আপুনি ইমান কম সময়ৰ ভিতৰত নাঙ্গং-নবস্ত্ৰং হৈ আহিও—ইমান ধনী হ'ল কেনেকৈনো? ৰহস্যটো কি?" সমীৰণে সুধিলে।

"ৰহস্য একো নাই—" এই বুলি কৈ, ৰাধাৰমণে বহাৰপৰা উঠি চাকিটো ফু মাৰি নুমাই আহি পুনৰ সমীৰণৰ ওচৰত বহিল।

আচৰিত হৈ সমীৰণে ৰাধাৰমণক সুধিলে, "জ্বলি থকা চাকিটো নুমাই দিলে কেলেই?

ৰাধাৰমণে শান্ত কণ্ঠেৰে ক'লে, "আমি ইয়াত বহি কথাহে পাতিম। মিছামিছিকৈ চাকিৰ তেল খৰচ কৰাৰ দৰ্কাৰনো কি?"

সমীৰণে পোনছাটে বহাৰপৰা উঠি থিয় হৈ কলে, "মই এতিয়া যাওঁ—"

"কিবা ৰহস্যনে কিবা জানিব খুজিছিলা যে—" ৰাধাৰমণে সুধিলে।

"আৰু জানিবলগীয়া একো নাই মোৰ। সেই ৰহস্য আপোনাৰ মুখৰপৰা শুনাৰ আগতে আপোনাৰ কামৰ যোগেদিয়েই বুজি পালোঁ।" এই বুলি কৈ সমীৰণ খৰকৈ গুচি গ'ল।



ভদ্ৰতা

গোপীনাথ চৰকাৰী চাকৰিয়াল। নগৰত থাকে। গোপীনাথ অতি অমায়িক আৰু ভদ্ৰ। কাকো অপ্ৰিয় কথা নকয়। যথা সময়ত বিয়া কৰালে। গিৰিবালাক। গিৰিবালাও গোপীনাথৰ দৰে ভদ্ৰ।

এদিন সিহঁত দুয়ো শিৱদ'লত পূজা দিয়াৰ পাছত উভতি আহোঁতে এজন অথৰ্ব বুঢ়াই কঁপি কঁপি ক্ষীণ মাতেৰে গোপীনাথক ক'লে, "বোপা, মোৰ মূৰটো আচন্দ্ৰাই কৰিছে। তুমি যদি মোক হাতত ধৰি লৈ যোৱা ঈশ্বৰে তোমাৰ মংগল কৰিব!"

গোপীনাথে বুঢ়াৰ হাতত ধৰি লাহে লাহে গৈ থাকিল। কিছুদূৰলৈ যোৱাৰ পাছত দুজন বয়সিয়াল বাটৰুৱাই গোপীনাথক ক'লে, "হেৰাহে, দেখাত দেখোন তোমাক শিক্ষিত, ভদ্ৰ যেন লাগিছে। তেওঁক গাড়ীৰে লৈ যাব নোৱাৰানে কি?"

ঠিক তেতিয়াই এখন গাড়ী সেই বাটেদি গৈ আছিল। বাটৰুৱা দুজনে হাত দঙি গাড়ীখন ৰখালে আৰু বুঢ়াক গড়ীত তুলি দিলে। গাড়ীৰ চালকে গোপীনাথ আৰু গিৰিবালাৰ পিনে চাই ক'লে, "আপোনালোকে নো কি ভাবি আছে? উঠক।"

মন্ত্ৰমুগ্ধৰ দৰে গোপীনাথ আৰু গিৰিবালা গাড়ীত উঠিলগৈ। সিহঁতৰ ঘৰৰ সমুখত গাড়ীৰপৰা নামিল, বুঢ়াৰ গাত তেতিয়া প্ৰবল জ্বৰ। বাধ্যত পৰি, বুঢ়াক নমাই, গাড়ীৰ আৰু ভদ্ৰতাৰ মাছুল দি, ঘৰৰ আছুতীয়া কোঠা এটাত বুঢ়া কাৰণে বিছনা পাৰি দি, দৰব আৰু পথ্যাৰো

ৰমলা গগৈ



অতি পৰিপাটীকৈ ব্যৱস্থা কৰিলে।

পাঁচদিন মূৰত বুঢ়া ভাল হৈ উঠিল ; কিন্তু বুঢ়াই ঘৰ এৰি যোৱাৰ নামকে নোলোৱা হ'ল। দুই-চাৰিদিন এইদৰে পাৰ হ'ল। এদিন গোপীয়ে গিৰিবালাক সুধিলে বুঢ়া যাব কেতিয়া? তেওঁ দেখোন একোৰে নকয়-নোবোলে।"

তাৰ পাছত আৰু সাতদিনমান উকলিল। গোপীনাথ আৰু গিৰিবালায়ে এই কথা বুজিলে যে কথা বিষম, এই বুঢ়া ইয়াত নিগাজী হৈ বহিছে।

দুদিনৰ পাছত গোপীনাথে বুঢ়াক ক'লে, "চাওক, কথা এটা কওঁ শুনক। কালিলৈ চলপুৰাতে আমি ওলাম। ঘৰলৈ উভতি আহোঁতে দুই-তিনিদিন দেৰি হ'ব। এতেকে—আপুনি যদি—"

"হ'ব, তোমালোক নিঃচিন্ত মনেৰে ঘূৰি আহাঁগৈ। এই দুই-তিনিদিন মই কি খাম—তাৰ কাৰণে একদম চিন্তা কৰিব নালাগে। মই নিজৰ বন্দৰস্ত নিজেই কৰি ল'ম।" বুঢ়াই ক'লে।

বুঢ়াই এজন অভিভাৱকৰ দৰে কথাখিনি কোৱা যেন লাগিল গোপীনাথৰ। সি দমি গ'ল। আৰু অৱশেষত নিৰুপায়ত পৰি গিৰিবালাক লৈ যেনিয়ে চকু যায় তেনিয়ে ওলাই পৰিল। বৰ বেছিদূৰলৈ নগ'ল। নগৰৰ সিমূৰত থকা ধৰমশালাত বহু কষ্টেৰে দুটা দিন কটাই পুনৰ ঘৰলৈ উভতি আহিল। সিহঁতৰ চকুৰপৰা টোপনিয়ে মেল্যানি মাগিলে। ঘৰৰ ভিতৰ চাললৈ চাই চাই দিনেৰ দিনে-নিশাই ভাবিবলৈ ধৰিলে যে এই বজৰলেপ বুঢ়াক ইয়াৰপৰা কেনেকৈ খেদিব।

এনিশা গোপীনাথ আৰু সুনন্দাই শুই শুই বুঢ়াক লৈ কি কৰিব-নকৰিব তাৰ বিষয়ে কথা পাতি আছিল। হঠাৎ বুঢ়াই সিহঁতৰ কোঠালৈ আহিল আৰু সিহঁতক ক'লে, "চোৱাঁ, তোমালোকে মোক ইয়াৰপৰা যে খেদিব খুজিছা—



মই বুজি পাইছোঁ। কিন্তু এটা কথা স্পষ্টকৈ শুনি থোৱা। এই ঘৰৰ আৰু তোমালোকৰ সেৱা-যত্ন মোক লাগে, লাগিব। মৰোঁ যদি—ইয়াতেহে মৰিম। আজি যিবোৰ কথা লৈ পাগুলিছা, তেতিয়া, সেই প্ৰথম দিনাই ভবা উচিত আছিল। মোক ইমান যত্নেৰে গাড়ীত উঠাই আনিছিলা কিয়? ননাহ'লে মই সিদিনাই ক'ৰবাত বাটতে মৰি পৰি থাকিলোহেঁতেন। এতিয়া, তোমালোকে মোক সুস্থ কৰি তুলিছা, মোক দুসাজ দুমুঠিমান খুউৱাৰ দায়িত্বো তোমালোকৰ—কথাটো মনত ৰাখিবা। মোক যদি ইয়াৰপৰা কেতিয়াবা গুচি যাবলৈ কৈছা—মই তোমালোকৰ এই নাদৰ ভিতৰত জঁপিয়াই পৰি আত্মঘাতী হ'ম।" এই বুলি কৈ বুঢ়া ওলাই গ'ল।

তেতিয়াহে, ইমানদিনৰ মূৰকত গোপীনাথ আৰু গিৰিবালাই হাড়ে-হিমজুৰে বুজি পোৱা হ'ল যে এই বুঢ়াৰ কবলৰপৰা সিহঁতৰ আৰু নিস্তাৰ নাই। বুঢ়াক খুৱাবই লাগিব, পিন্ধাবই লাগিব, থাকিবলৈকো দিব লাগিবই।

গোপীনাথে খেদ প্ৰকাশ কৰি ক'লে, "মই যিখিনি টকা সাঁচিছিলোঁ—বুঢ়াৰ দৰব আৰু পথ্যতে খৰচ হৈ গ'ল।

গিৰিবালাই তাইৰ গিৰিয়েকক সান্ত্বনা দি ক'লে, "এতিয়া আৰু ভাবি লাভ নাই। বুঢ়াক খুৱাবই লাগিব। 'যা' বুলিলেও যি নাযায়, 'গুচ' বুলিলেও নুগুচে, তাকনো খেদোঁ কি উপায়? বেছিকৈ কিবা ক'লে আত্মহত্যা কৰিব। আমাৰ নাদত পৰি মৰিলে আমিহে জগৰীয়া হ'ম, সমাজৰ আগত মুখ উলিয়াব নোৱাৰিম। গতিকে—বুঢ়াক এৰাব নোৱৰা এটা বুলি মানি লোৱাই ভাল।"

কেইদিনমানৰ পাছৰ কথা। গোপীনাথ যথাৰীতি কামলৈ ওলাই যোৱাৰ পাছত গিৰিবালাৰ এজনী বান্ধৱী আহিল।

বান্ধৱীজনীৰ নাম নন্দিতা। গিৰিবালাৰ আৰু নন্দিতাৰ ককায়েকৰ বিয়া একে-দিনতে হোৱা বাবে নন্দিতাই গিৰিবালাৰ বিয়াত যোগ দিবপৰা নাছিল। গিৰিবালাৰ বিয়াৰ পাছত আজিহে পোন প্ৰথম বাৰৰ বাবে নন্দিতা ইয়ালৈ আহিল।

গিৰিবালা আৰু নন্দিতাই কথা পাতি থাকোঁতে বুঢ়াই আহি বিৰক্তিৰে গিৰিবালাক ক'লে, "তোমালোকৰ কথাৰ আৰু অন্ত নপৰিবনে? ইমান বেলা হ'ল—মোক আৰু কেতিয়ানো ভাত বাঢ়ি এমুঠি দলি মাৰি দিবা?"

গিৰিবালাই খৰধৰকৈ গৈ বুঢ়াক ভাত বাঢ়ি দিলে। খোৱা পাতত বহি বুঢ়াই চিঞৰি ক'বলৈ ধৰিলে, "গিৰিবালা—বোলোঁ জিকাৰ আঞ্জা, ভোলৰ তৰকাৰী মই নাখাওঁ বুলি আৰুনো কিমান হাজাৰবাৰ ক'ব লাগিব? খাব নোৱাৰোঁ—তথাপি মোক এইবোৰ জাবৰ-জোথৰ খাবলৈ দিবা। মোৰ কাৰণে বেলেগে আন কিবা ৰান্ধিব নোৱাৰানে?"

নন্দিতাই গিৰিবালাক ক'লে' আই ঐ, তোৰ শহুৰে যদি ইমান উগ্ৰ খং গিৰিয়েৰৰ বা কিমান!"

"এ—ই বুঢ়া মোৰ শহুৰ-তহুৰ একো নহয় অ'—" এই বুলি কৈ, গিৰিবালাই বুঢ়াৰ ইত্তিবৃত্ত নন্দিতাৰ ওচৰত খুলি-মেলি ক'লে। বুঢ়াক লৈ যে কিমান অথন্তৰত পৰিছে—সেই কথা ক'বলৈ পাই গিৰিবালাৰ মনটো অলপ ফৰকাল ফৰকাল লাগিল। গিৰিবালাই ক'লে, "কিনো কৰোঁ কোৱাচোন? গুচি যাবলৈ কওঁ যদি—নাদত পৰি আত্মহত্যা কৰিব বুলি কয়। যদি তেনেকুৱা কিবা কাণ্ড কৰেই—কৰি পেলায়েই যদি আমিনো লোকৰ আগত মুখ উলিয়াম কেনেকৈ?"

"কেলেই? মুখ উলিয়াব নোৱাৰিবা কেলেই? আৰু—কি জানা—যিহঁতে আত্মঘাতী হ'ম বুলি ভাবুকি দিয়ে--

সিহঁতে মৰণলৈ আচলতে বৰ ভয় কৰে। মোৰ কথা শুনি যদি—তুমি এই সিয়ান বুঢ়াৰ কবলৰপৰা ৰেহাই পাব। মই বুঢ়াক শুনাই শুনাই যি ক'ম তুমি কেৱল 'হয়' 'হয়' বুলি কৈ যাবা। আন একো কৰিব নালাগে।" নন্দিতাই ক'লে।

তাৰ পাছত, নন্দিতাই অলপমান চেনি গুৰি কৰি ল'লে। তিমানতে দিনৰ ভাত-ঘুমটি মাৰি বুঢ়ায়ো সাৰ পালে আৰু আন দিনাৰ দৰে জলপান খাবলৈ বহি থাকিল। তেতিয়া বুঢ়াক দেখিও নেদেখাৰ ভাও জুৰি নন্দিতাই বুঢ়াক শুনাই কোৰাদি গিৰিবালাক কৈ থাকিল, "চোৱাঁ গিৰিবালা, বুঢ়া বয়সত যিহঁতে মৰিব খোজে--সিহঁতক জীয়াই ৰখাটো পাপ, ঘোৰ পাপ। বৰঞ্চ—এই বুঢ়াই বিনাকষ্টে যাতে মৰিব পাৰে তাৰ বন্দৰস্ত কৰাহে উচিত হ'ব। এই কাম কৰিলে তোমাৰ পুণ্য হ'ব।"

"কিন্তু—কেনেকৈনো কৰিম মই এই কাম? কি খুৱাই বুঢ়াক শান্তিৰে মাৰিম কোৱাচোন? মোৰ ওচৰত তেনেকুৱা বস্তু একো নাই।" গিৰিবালাই ক'লে।

"মোৰ ওচৰত আছে, মই দিম তোমাক মোৰ ওচৰত এনেকুৱা বিষ আছে—যি বিষ এবাৰ ভাত বা আঞ্জা বা পানীৰ লগত মিহলাই খুৱালে লাহে লাহে লাহে সাতদিনৰ ভিতৰত মৃত্যু হ'ব—



অথচ মৰোঁতাই একো কষ্ট নাপায়।” নন্দিতাই বুঢ়াক শুনাই ক'লে।

এই কথা শুনি বুঢ়াৰ চকু ঢেলুকা-ঢেলুক হৈ পৰিল। বুঢ়া একেবাৰে অস্থিৰ হৈ উঠিল। সি তাৰ বয়-বস্তুখিনি এটা টোপোলাত বান্ধি লৈ গিৰিবালাক ক'লেগৈ, “আই গিৰিবালা, মই আজি যাওঁগৈ। তুমি কিন্তু মোৰ কাৰণে কান্দি নাথাকিবা। বুঢ়া বয়সত এইদৰে এঠাইত নাথাকি তীৰ্থলৈ ওলোৱাহে ভাল হ'ব—কালি ৰাতি স্বয়ং নাৰায়ণে মোক টোপনিত দেখা দি কৈ গ'ল।”

“কিন্তু—আপুনি যায়েইগৈ যদি—বাধা তো দিব নোৱাৰোঁ—পিছে অন্ততঃ-পক্ষে জা-জলপানখিনি খাই য'ক।” গিৰিবালাই ক'লে।

জা-জলপানখিনি খোৱাৰ কথা শুনি বুঢ়াৰ বুকুখন চিৰিংকৈ গ'ল। বুঢ়াই ততাতৈয়াকৈ ক'লে, “ওহোঁ, আৰু মুহূৰ্ত-মানো ঘৰত নাথাকোঁ, ওলাম বুলিছোঁ যেতিয়া—ওলামেই। আৰু হঠাৎ বৰষুণ দিলে আৰু ওলোৱা নহ'বো পাৰে। গতিকে—মই যাৱেঁই আৰু—।” এই বুলি কৈয়েই বুঢ়া সাউৎকৰে গুচি গ'ল।

গধূলিৰ আগে আগে মনমৰা গোপীনাথ কৰ্মস্থলৰপৰা ঘৰলৈ উভতি এই কথা শুনি জীৱ ঘূৰাই পোৱা যেন পালে। গোপীনাথে নন্দিতাৰ এই অদ্ভুত বুদ্ধিক শলাগিলে। তেতিয়া নন্দিতাই গোপীনাথক ক'লে, “সংসাৰত দহজনৰ লগত মিলা-প্ৰীতিৰে বসবাস কৰিবলৈ হ'লে ভদ্ৰ হ'ব লাগিব, ঠিক। কিন্তু অতি ভদ্ৰতাৰো এক বিষম পৰিণতি আছে। নিৰ্বোধহঁতক—যিহঁতে আনৰ সুবিধা-অসুবিধা একো নুবুজে—সিহঁতক অতি ভদ্ৰ ব্যৱহাৰেৰে আপ্যায়ন কৰাটো অৰ্থহীন কথা।”

গোপীনাথে মন্তব্য কৰিলে, “মোৰ জীৱনতো অতি ভদ্ৰতাৰ অভিজ্ঞতা হ'ল।”

বলিদান

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া বোধিসত্বই ব্ৰহ্মদত্তৰ পুত্ৰ হৈ উপজিলে। এই জনমত বোধিসত্বৰ নাম আছিল —কুমাৰ। অধ্যয়নৰ বাবে কুমাৰক তক্ষশীলালৈ পঠোৱা হ'ল। তক্ষশীলালৈ গৈ, গুৰুৰ আশ্ৰমত থাকি, কুমাৰে যোল বছৰ বয়সৰ ভিতৰতে বেদ-বেদান্ত; উপনিষদ আদি সমস্ত অধ্যয়নান্তে কাশীলৈ উভতি আহিল আৰু তাৰ পাছত ৰজা ব্ৰহ্মদত্তই তেওঁৰ যোগ্য পুত্ৰ কুমাৰক এদিন যুৱৰাজ ৰূপে অভিষিত কৰিলে।

সেই কালত কাশীৰ প্ৰজাবৰ্গই অসংখ্য দেৱ-দেৱীৰ পূজা কৰিছিল। দেশত সদায় পূজা-পাৰ্বণ লাগিয়েই আছিল। বহুতেই দেৱ-দেৱীলৈ পঠা, ভেড়া, হাঁহ আদি পূজাৰ উপচাৰ তথা অৰ্ঘ্যৰূপে বলিদান দিছিল আৰু এইবোৰৰ মাংস প্ৰসাদ হিচাপে খাইছিল।

এইবোৰ কুসংস্কাৰমূলক কাৰ্য্য-কলাপ দেখি কুমাৰৰূপী বোধিসত্ব বিমৰিষ হৈছিল। তেওঁ ভাবিছিল: মই যেতিয়া ৰজা হ'ম, তেতিয়া দেশত প্ৰাণীহত্যা নিষিদ্ধ কৰিম। মোৰ শাসনকালত এই দেশত তেজৰ এই হোলিখেলা মই বন্ধ কৰিমেই কৰিম।

কাশী নগৰীৰ এমূৰত এজোপা বৰ-গছ আছিল। এই বৰগছজোপাতো এগৰাকী দেৱতা থকা বুলি জনবিশ্বাস আছিল। বৰগছজোপাৰ ওচৰত কোনোবাই সন্তান কামনা, কোনোবাই পত্নী কামনা, পতি কামনা, পুত্ৰ কামনা আৰু অন্যান্য বিভিন্ন কামনা কৰিছিল।

'জাতক-কথা'

এদিন যুৱৰাজ কুমাৰো ৰথত উঠি বৰগছজোপালৈ গ'ল। অসংখ্য নাৰী-পুৰুষে ভক্তিভাৱেৰে বৰগছজোপাক প্ৰদক্ষিণ কৰি থকা দেখা পাই তেওঁ বিস্মিত হ'ল। তাৰ পাছত তেওঁ পুনৰ ৰাজধানীলৈ উভতি আহিল।

এই ঘটনা দেখাৰ পাছৰপৰা স্বয়ং কুমাৰো বৰগছজোপাৰ ওচৰলৈ গৈছিল আৰু বৰগছক তেৰোঁ পূজা কৰিছিল।

কিছুদিনৰ অন্তত বৃদ্ধৰজা ব্ৰহ্মদত্তৰ মৃত্যু হ'ল। ৰাজ্যাভিষেক হৈ যোৱাৰ অন্তত ৰজা কুমাৰে পৰিপূৰ্ণ ৰাজসভাত ক'লে, "মই যে কি উপায়ে ৰজা হ'লোঁ, সেই কথা আপোনালোকে নাজানে। যুৱৰাজ হিচাপে অভিষিক্ত হোৱাৰ পাছত মই সেই বৰগছক পূজা আগ কৰি মানস কৰিছিলোঁ যে দেউতা যদি সোনকালে মৰে—তেনেহ'লে মই এহেজাৰ প্ৰাণী বলি দিম। এতিয়া মই ৰজা হ'লোঁ, এতেকে, এতিয়াই মোক এহেজাৰ প্ৰাণী গোটাই দিব লাগিব।"

ৰজা কুমাৰৰ কথা শুনি সকলোটিয়েই হতবাক হ'ল। অগত্যা মহামন্ত্ৰীয়ে সুধিলে, "মহাৰাজ, আপুনি বৃক্ষদেৱতালৈ কেনে ধৰণৰ প্ৰাণী উছৰ্গা—মানে—বলি দিবলৈ মানস কৰিছিল ক'বনে?"

"মই কোনো ধৰণৰ জন্তু-জানোৱাৰ বলি দিবলৈ মানস কৰা নাছিলোঁ। যিবিলাক মানুহে জন্তু-জানোৱাৰ তথা পশুবলি দিয়ে—মই সেই মানুহবিলাকক বলি দিবলৈ মানস কৰিছিলোঁ। পশুবলি দিয়া এহেজাৰ মানুহ মোক এতিয়া আনি দিব লাগিব, মই বৃক্ষদেৱতাৰ আগত বলি দিম। মোৰ এই কথা সমগ্ৰ ৰাজ্যত ঘোষণা কৰা হওক।"

ৰজাৰ ঘোষণা শুনাৰ পাছত সমগ্ৰ কাশী ৰাজ্যত কোনো দিন কোনেও ভুলতো পশুবলি দিয়া নাছিল।



আমাৰ নদ-নদী

গঙ্গা-১

নাৰদমুনি ভূলোকৰপৰা দেৱলোকলৈ ৰাওণা হ'ল। তেতিয়া আছিল জোনাকৰাতি। নাৰদমুনিয়ে তেওঁৰ সুমধুৰ বীণা বজাই গীত গাই গাই হিমালয়ৰ ওপৰেদি গৈ আছিল।

নাৰদে দুটা পাহাৰৰ মাজত এডোখৰ ঠাইত কেইজনমান নাৰী-পুৰুষক দেখা পাই ভাবিলে: এওঁলোক কোন? ইয়াত কি কৰিছে? এই প্ৰশ্নৰ উত্তৰ জানিবলৈ নাৰদে তাত ৰৈ দিলে।

“তোমালোক কোন?” এই প্ৰশ্ন সুধি নাৰদ তেওঁলোকৰ কাষ চাপিল। কাষ চাপি লক্ষ্য কৰিলে যে তেওঁলোকৰ কৰোবাৰ চকু নাই, কাৰোবাৰ নাই হাত, আৰু কাৰোবাৰ নাই ভৰি।

নাৰদৰ প্ৰশ্ন শুনি পোনতে সেই নাৰী-
পুৰুষসকল নিমাতে থাকিল। তাৰ
পাছত, তেওঁলোক যে আচলতে
গন্ধৰ্ব—সেই কথা নাৰদে বুজি পালে।
এওঁলোকে গান গাবলৈ বিচাৰে; কিন্তু
গান গাবলৈ এওঁলোকে বাধ পায়।
নাৰদক এওঁলোকে এই কথা ক'লে।

এওঁলোকে বিনা বাধাৰে গান গাব পাৰে
যদি, হাত-ভৰি-চকু ঘূৰাই পাব—
নাৰদে জানে। তেওঁলোকক কথাটো
কৈ, নাৰদ পোনে পোনেই কৈলাসলৈ
গ'ল শিৱৰ ওচৰলৈ। নাৰদে ঘুণীয়া
গন্ধৰ্বসকলৰ সকলো কথা বিবৰি তেওঁ-
লোকক গান শুনাবলৈ শিৱক খাটিলে।

শিৱই এটা চৰ্ত আৰোপ কৰিলে।
চৰ্ত হ'ল যে—ব্ৰহ্মাই তেওঁৰ গীত
শুনিব লাগিব। নাৰদে তৎক্ষণাৎ
কাষ চাপি শিৱ ব্ৰহ্মাক ইচ্ছাৰ কথা
ব্ৰহ্মাক বুজাই ক'লে। ব্ৰহ্মা, আৰু লগতে
বিষ্ণুও গ'ল শিৱৰ গীত শুনিবলৈ।

শিৱৰ গীত শুনিবলৈ ব্ৰহ্মা বিষ্ণু নহয়, অন্যান্য দেৱতাও আগ্ৰহী হ'ল। কিন্তু যে নাৰদে শিৱৰ গীত শুনাবলৈ উদ্যোগী হৈছে বিষ্ণুৱে নাজানিছিল। এতিয়া এই আয়োজনৰ প্ৰকৃত হেতু জানি বিষ্ণু অতি আনন্দিত হ'ল।

ব্ৰহ্মা, বিষ্ণু প্ৰমুখৰ উপস্থিতিত সেই সেই ঘূণীয়া গন্ধৰ্বসকলে শিৱৰ গীত শুনিবলৈ আগ্ৰহৰে সাজু হ'ল। বহুতোপৰলৈকে ধ্যানমগ্ন থকাৰ পাছত শিৱই গীত আৰম্ভ কৰিলে। শিৱৰ গীত শুনি সকলোটি মন্ত্ৰমুগ্ধ হ'ল।

অলপ সময়ৰ পাছত শিৱৰ গীতৰ তালে তালে সেই ঘূণীয়া গন্ধৰ্বসকলে নাচিবলৈ ধৰিলে আৰু চাওঁতে চাওঁতে তেওঁলোকে তেওঁলোকৰ হেৰোৱা অংগ ঘূৰাই পালে। তেওঁলোক আনন্দৰ আবেগত আত্মহাৰা হল।

শিৱৰ সংগীতৰ তৰংগে প্ৰকৃতিৰপৰা বিচিত্ৰ ধ্বনি-প্ৰতিধ্বনিৰ সৃষ্টি কৰিলে। শিৱৰ গীত শুনি গছ-গছনিবোৰ ফুলে ফুলে জাতিস্কাৰ হৈ পৰিল। জগতৰ সকলোতে, আকাশৰপৰা মাটিলৈকে মনোৰম স্নিগ্ধ পোহৰ বিয়পি পৰিল।

আৰু শিৱৰ গীতে আন এটি আশ্চৰ্য্যময় ঘটনাপ্ৰবাহৰ সৃষ্টি কৰিলে। শিৱৰ গীতে বিষ্ণুৰ দেহৰ এটি অংশ জলৱৎ হৈ প্ৰবাহিত হৈ থাকিল। সেই প্ৰবাহমান ধাৰাক একমাত্ৰ ব্ৰহ্মাইহে আবদ্ধ কৰিব পাৰিছিল।

ব্ৰহ্মাই সেই জলধাৰাক তেওঁৰ কমণ্ডলুৰ মাজত থৈ দিলে। বিষ্ণুৰ দেহস্থ সেই পূত-পৱিত্ৰ জলধাৰা হ'ল গংগা নদীৰ উৎস। বিষ্ণুৰ দেহৰপৰা উদ্ভূত হোৱা বাবেহে গংগাৰ জলধাৰা ইমান পৱিত্ৰ জলধাৰা ৰূপে সমাদৃত।

নিয়ম

চিত্ৰপুৰৰ ৰজা কীৰ্তিসেনৰ মনত হঠাৎ এদিন মৃত্যুৰ চিন্তা মূৰ দাঙি উঠিল। তেতিয়াৰপৰা দিনে-নিশাই তেওঁ এই চিন্তাত আচ্ছন্ন আছিল। ৰজা কীৰ্তিসেনৰ মন্ত্ৰীৰ নাম আছিল ধৰ্মসেন ৷ৰজাৰ মনত মৃত্যু-চিন্তা-ভীতিলৈ লক্ষ্য কৰি ধৰ্মসেনে ৰজাক ক'লে, "মহাৰাজ, আমাৰ মহাৰণ্যত জ্ঞানানন্দ নামৰ এগৰাকী ঋষিয়ে দীৰ্ঘকাল ধৰি তপস্যা কৰি আছে। আপুনি তেওঁৰ ওচৰলৈ যায় যদি তেওঁৰ আপোনাৰ মনৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব পাৰিব।"

ৰজা জ্ঞানানন্দৰ ওচৰলৈ গ'ল আৰু ক'লে, "হে মহৰ্ষি, মই প্ৰতিমুহূৰ্ততে মৃত্যুচিন্তাৰে দগ্ধ হৈছোঁ। মোৰ মৃত্যু নহ'ব—এনেহেন কিবা উপায় আপুনি দিব পাৰিবনে ?"

ঋষি জ্ঞানানন্দই মিচিকীয়াই হাঁহি ক'লে, "তোমাৰ বয়স তো বৰ বেছি হোৱা নাই, তুমি তৰুণেই। আচলতে—সমগ্ৰ জীৱনকাল ডেকাটি হৈ থাকিবা—এই চিন্তাৰ ফলতহে মৃত্যুভীতিয়ে তোমাক গ্ৰাস কৰিছে। তুমি যেতিয়া বুঢ়া হ'বা, তোমাৰ দৃষ্টিশক্তি, স্মৰণশক্তি হ্ৰাস পাব ; যদিও জীয়াই থকাৰ আকাংক্ষা প্ৰবল হৈ উঠিব। তাৰ পাছত তুমি দোঁখাই পৰিবা, তোমাৰ দাঁত সৰি পৰিব। এয়ে প্ৰকৃতিৰ নিয়ম। তেতিয়া বৃদ্ধবয়সৰ কষ্ট সহিব নোৱাৰি তুমি নিজেই নিজৰ মৃত্যু কামনা কৰি থাকিবা। সেইদেখি কওঁ, কেতিয়া মৃত্যু হ'ব—সেই কথা ভাবি বিমৰিষ হোৱাৰ বা ভীত হোৱাৰ প্ৰয়োজন নাই।"

ৰজাই জ্ঞানানন্দক প্ৰণাম কৰি ক'লে, "হে মহৰ্ষি, আপোনাৰ কথা শুনি মোৰ জ্ঞানোদয় হ'ল। সমগ্ৰ জগৎ নিয়মৰ অধীন। ময়ো। মোৰ মনৰ পৰা মৃত্যু-ভীতি আঁতৰিল।"

ৰজাৰ বিচাৰ

চন্দ্ৰচূড় ৰজাৰ ৰাজসভাত গৌৰ আৰু কিশোৰ নামৰ দুগৰাকী কবি আছিল। গৌৰকবি কবি হিচাপে প্ৰবীন; কিশোৰ নবীন। গৌৰকবি বহুসংখ্যক কাব্যগ্ৰন্থৰ ৰচোঁতা, কিশোৰকবি সেই তুলনাত নামহীন, যদিও কাব্যজ্ঞান-কম নহয়।

এদিন ৰজা চন্দ্ৰচূড়ে দেশত কাব্য-সাধনাৰ বিচাৰ তথা পৰিমাপ ল'বলৈ এগৰাকী নিৰপেক্ষ সমালোচক বিচাৰি কথাটো তেওঁৰ মহামন্ত্ৰী মিহিৰক ক'লে।

মহামন্ত্ৰী মিহিৰে ৰজা চন্দ্ৰচূড়ক ক'লে, "মহাৰাজ, আমাৰ বিজ্ঞ-অভিজ্ঞ গৌৰকবি থাকোঁতেনো আন সমালোচক কিয় বিচাৰিব লাগিছে?"

মন্ত্ৰীৰ কথাৰ উত্তৰ নিদিলে ৰজাই। তেওঁ মনে মনে থাকিল। এক সপ্তাহৰ অন্তত ললাটদেশৰপৰা ভূষণ কবি নামৰ এগৰাকী কবি ৰজা চন্দ্ৰচূড়ৰ ৰাজসভালৈ আহিল আৰু ৰজাক ক'লে, "মহাৰাজ, মোৰ ৰচিত প্ৰথম কাব্যগ্ৰন্থখন মই আপোনালৈ উৎসৰ্গ কৰিবলৈ বিচাৰিছোঁ। অনুমতি দিবনে মহাৰাজ? মই বহু দূৰদেশৰপৰা আহিছোঁ।"

চন্দ্ৰচূড় ৰজাই ভূষণকবিৰ কাব্যগ্ৰন্থখন আগ্ৰহৰে ল'লে আৰু কবি ভূষণৰ থকা-মেলাৰ বন্দৰস্ত কৰি দিলে।

তাৰ পাছত ৰজাই গৌৰকবিক মতাই অনাই গৌৰকবিক ভূষণকবিৰ কাব্যগ্ৰন্থখন দি ক'লে, "এই কাব্যগ্ৰন্থখন পাঠ কৰি আপুনি আপোনাৰ মতামত জনাব।"

পাছদিনাই গৌৰকবিয়ে ৰজাক ক'লেহি, "মহাৰাজ, ভূষণৰ কাব্যগ্ৰন্থখন

কাজল চক্ৰৱৰ্তী

পঢ়িলোঁ। এইখন এইজনা কবিৰ প্ৰথম কাব্যগ্ৰন্থ বুলি কোৱা হৈছে; কিন্তু গ্ৰন্থখন প্ৰকৃততেই অনবদ্য।"

ৰজাই কিশোৰকবিকো ভূষণৰ কাব্য-গ্ৰন্থখন পঢ়িবলৈ দিলে আৰু ক'লে, "এই কাব্যগ্ৰন্থখনৰ সম্পৰ্কে আপোনাৰ মতামত মোক যিমান সোনকালে সম্ভৱ জনাব।"

দুদিনৰ পাছত কবি কিশোৰে ৰজাক ক'লেহি, "মহাৰাজ, এইজনা নতুন কবিয়ে খুব সম্ভৱতঃ সদ্যহতেহে কাব্যৰচনাত ধৰিছে। তেওঁৰ কোনো কোনো কবিতা সঁচাকৈয়েই উচ্চ মানদণ্ডৰ।"

কবি কিশোৰ গুচি যোৱাৰ অন্তত ৰজাই তেওঁৰ কাষত বহি থকা অভিজ্ঞ মহামন্ত্ৰী মিহিৰক ক'লে, "কবি কিশোৰক মই কাব্য-সাহিত্য সমালোচক তথা উপদেষ্টাৰ পদত নিযুক্ত কৰিম। আপুনি এই বিষয়ে আৱশ্যকীয় বন্দৰস্ত কৰক।"

মহামন্ত্ৰী মিহিৰে অবাক হৈ ক'লে, "মহাৰাজ, আপুনি এনেহেন গুৰুত্বপূৰ্ণ পদত নবীন কবি কিশোৰক সঁচাকৈয়েই নিযুক্ত কৰিবনে? গৌৰকবিয়ে যেতিয়া এই বাতৰি পাব, তেওঁ মনত বৰ দুখ পাব। কিয়নো, কবি হিচাপে তেওঁ কবি কিশোৰতকৈ বয়সিয়াল, অভিজ্ঞ, বিজ্ঞ আৰু খ্যাতিমান। তথাপি আপুনি যেতিয়া কিশোৰ কবিক নিযুক্ত কৰিব খুজিছে— নিশ্চয় তাৰো কিবা কাৰণ আছে।"

তেতিয়া ৰজা চন্দ্ৰচূড়ে ক'লে, "ললাট দেশৰপৰা অহা ভূষণ কবিৰ কাব্যগ্ৰন্থ পঢ়ি গৌৰকবি আৰু কিশোৰকবিয়ে যি মতামত দিছিল, আপুনি মোৰপৰা শুনিলেই। তেওঁলোকৰ সেই মতামতৰ ভিত্তিতহে মই এই সিদ্ধান্ত লৈছোঁ।"

ৰজাৰ কথাত মন্ত্ৰীয়ে জিজ্ঞাসু দৃষ্টিৰে চালে চন্দ্ৰচূড়লৈ। ৰজা চন্দ্ৰচূড়ে পুনৰ ক'লে, "গৌৰকবি আৰু কিশোৰকবি— দুয়োজনেই কবি ভূষণৰ কাব্যগ্ৰন্থ পঢ়িলে। কিন্তু কাব্যগ্ৰন্থখনৰ সম্পৰ্কে দুয়োজনৰ মতামত সম্পূৰ্ণ বেলেগ বেলেগ। গৌৰকবিয়ে কবি ভূষণৰ ৰচনাৰ ক্ৰুটি বিচাৰি যথেষ্ট পৰিশ্ৰম কৰিছিল; কিন্তু কিশোৰ কবিয়ে ক্ৰুটি উলিয়াবলৈ চেষ্টা নকৰি সামগ্ৰিভাৱে কাব্যগ্ৰন্থখন অধ্যয়ন কৰি ভূষণকবিৰ প্ৰশংসনীয় গুণৰ কথাখিনিহে দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। আমাক কি লাগে? আমাক লাগে নতুন কবি তথ কাব্য-প্ৰতিভাৰ সমাদৰ। গতিকে— কাব্য-সাহিত্যৰ উপদেষ্টাৰ পদত গৌৰকবিক নিযুক্ত কৰাহেঁতেন আমি কেৱল কাব্যগ্ৰন্থৰ তথা নতুন কাব্যগ্ৰন্থৰ ৰচোঁতাৰ দোষ-ক্ৰুটিৰ কথাহে জানিব পাৰিলোহেঁতেন। কোন কবিৰ ৰচনাত কোনখিনিত ক্ৰুটি আছে, গৌৰকবিয়ে তালৈ আঙুলিয়াই দি সেইজন কবিৰ কাব্যক অসাৰ্থক বুলি প্ৰমাণ কৰিলেহেঁতেন; কিন্তু কিশোৰ কবি তেনেকুৱা নহয়। আৰু সেইদেখিহে মই এই কাৰ্য্যৰ বাবে কিশোৰকবিক যোগ্য বুলি মনোনীত কৰিছোঁ।"

ৰজাই এইদৰে বুজাই কোৱাৰ পাছত মহামন্ত্ৰী মিহিৰেও ৰজাৰ সিদ্ধান্তলৈ সমৰ্থন জনালে।

কিছুকালৰ পাছত কিশোৰকবিয়ে এগৰাকী দক্ষ আৰু নিৰপেক্ষ কাব্য-সাহিত্য-সমালোচক হিচাপে দেশত আৰু আনদেশতো খ্যাতি আৰ্জিছিল।



কামৰ কথা

ভীমনগৰৰ নগেনৰ ঘৈণীয়েকৰ নাম নিৰ্মলা, ল'ৰাটোৰ নাম নৰেন। নৰেন লিখা-পঢ়াতো ভাল, বুদ্ধিতো বৃহস্পতি। কিন্তু ঘৰত একেবাৰে কাম-বন নকৰে। সদায় বন্ধুহঁতৰ সৈতে আড্ডা। মাক-দেউতাকে বহু চেষ্টাৰেও নৰেনক শুধৰাব নোৱাৰিলে।

এদিন কথা প্ৰসংগত নগেনক নৰেনৰ মোমায়েকে ক'লে, "নৰেন যে আড্ডাবাজ হ'ল, তাৰ বাবে তোমালোক জগৰীয়া।"

নৰেনৰ দেউতাকে ক'লে, "আমাৰনো জগৰ কেনেকৈ লাগিলহে? ইমান ডাঙৰ ল'ৰা এটাই যদি নিজৰ ভাল-বেয়া নিজে নুবুজে—আমিনো কি কৰিম?"

নৰেনৰ মোমায়েকে নৰেনক মতাই অনাই ক'লে, "নৰেন তুমি এইদৰে আড্ডা মাৰি ফুৰাটো তোমাৰ মা-দেউতাৰাই যে বেয়া পায়—তুমি কথাটো নুবুজানেকি? আনকি তোমাৰ বন্ধুহঁতেও তোমাক কিমান ভাল পায়—"

"আপোনাৰ এই মন্তব্য ঠিক নহয়, মোৰ বন্ধুহঁতে মোক অত্যন্ত ভাল পায়।" নৰেনে তাৰ মোমায়েকৰ কথাৰ মাজত বাধা দি কৈ উঠিল।

"তেনেহ'লে এটা পৰীক্ষা হৈ য'ক। তুমি তোমাৰ কৰ্মক্ষমতা আৰু সামৰ্থ্য সম্পৰ্কে বন্ধুহঁতৰ ওচৰত বৰাই কৰি ক'বা। তাৰ পাছত সিহঁতৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য কৰি থাকিবা।" মোমায়েকে ক'লে।

মোমায়েকৰ কথাষাৰ নৰেনে দলিয়াই নেপেলালে। মোমায়েকৰ কথাত সি এদিন তাৰ বন্ধুহঁতক ক'লেগৈ, "আমাৰ ঘৰত মোৰ গুৰুত্ব যে কিমান তোমালোকে

নাজানা। মই যি কওঁ, তাকে হয়। খেতি-বাতিৰপৰা আৰম্ভ কৰি সকলো কথাতে মোৰ মতামতৰ দাম আছে ঘৰত। যদি মোৰ কথাত পতিয়ন যোৱা নাই, মোৰ দেউতাক বা মাক সুধি চোৱাগৈ। নহ'লে—মোৰ মামাৰ ওচৰলৈ যাওঁ ব'লা।"

এইদৰে, দিনৰ পাছত দিন ধৰি নৰেনে যেতিয়া ওফাইডাং মাৰিবলৈ ধৰিলে, তেতিয়া বন্ধুহঁতে ওফাইডঙীয়া নৰেনক আৰু পাত্তা নিদিয়া হ'ল। এমাহমানৰ ভিতৰত নৰেনৰ বন্ধু বোলোঁতে এজনো নাথাকিল। কাৰোবাক নৰেনে মাতিলেও সেইজন বন্ধুৱে 'অলপ পাছত আহিম বাৰু' বুলি কৈ গুচি গৈছিল।

এই বিসদৃশ অৱস্থা নৰেনৰ অসহ্য হৈ উঠিল। সি তাৰ মোমায়েকক ক'লেগৈ, "মামা, আপোনাৰ কথা আখৰে আখৰে সঁচা। আচলতে বন্ধুহঁতে মোক ঈৰ্ষা কৰে। ময়ো যে কিবা কাম-বন কৰিব পাৰোঁ, সেই ধাৰণা সিহঁতৰ মনত নায়েই। ইমানদিন ধৰি যিহঁতক মই মোৰ প্ৰাণৰ বন্ধু বুলি ভাবি আহিছোঁ, সিহঁত যে প্ৰকৃততে মোৰ বন্ধু নহয়, এতিয়াহে বিতংকৈ বুজিছোঁ। কিন্তু—মইনো এতিয়া কৰিম কি? সিহঁতে মোক এৰাই চলিছে, আপোনালোকেও ভাল নোপোৱা হ'ল। মোৰ পৰো নাই, ঘৰো নাই।"

"এনে অৱস্থাত ঘৰৰ কাম-বন কৰি থাকিলেহে আমি ভাল পাম।" মোমায়েকে নৰেনক ক'লে।

"কিন্তু সদায় মা-দেউতাৰ ওচৰত থাকিলে—তেওঁলোকেও কিজানি মোক অসহ্য বুলি ভাবিব।" নৰেনে ক'লে।

"শুনা, মাক-দেউতাকে কেতিয়াও সন্তানক অসহ্য বুলি নাভাবে। তুমি তেওঁলোকৰ ওচৰত যিকথা ক'ব খুজিবা, তেওঁলোকে শুনিব। তোমাৰ বন্ধুহঁতৰ দৰে ঈৰ্ষা নকৰিব, বা তোমাক এৰাই নচলিব।" নৰেনৰ মোমায়েকে ক'লে।



তাৰ পাছত নৰেনৰ নোমায়েকে তেওঁৰ ভনীয়েক আৰু ভিনিহীয়েক নগেনক ক'লে, "শুনা, নৰেনে তোমালোকৰ ওচৰত যি কথাকে নকওক, তোমালোকে মনপুতি শুনিবা, তাৰ প্ৰতিটো কামক শলাগিবা। সি যদি নিজৰ সম্পৰ্কে বৰাই কৰিও কিবাকিবি কয়—তথাপি তাৰ বিৰুদ্ধে তোমালোকে একো নক'বা।"

তেতিয়াৰপৰা নৰেন দিনটো প্ৰায়-ভাগেই ঘৰতে কটাইছিল। সি তাৰ মনৰ কথা তাৰ মাক-দেউতাকক কৈছিল। মাক-দেউতাকেও তাৰ কথা মনপুতি শুনিছিল, তাৰ আনকি সৰুসুৰা কামকো শলাগিছিল। মাক-দেউাকৰ এনে মধুৰ ব্যৱহাৰত নৰেনে বৰ ভাল পালে।

কিছুদিনৰ পাছত নৰেনৰ মোমায়েকে নৰেনৰ মাজত এক বিৰাট পৰিৱৰ্তন লক্ষ্য কৰিলে। তেওঁ ইকথা-সিকথাৰ পাছত নৰেনক ক'লে, "এটা কাম কৰা। তুমি ডাঙৰ ডাঙৰ লিখকসকলৰ লেখা-মেলা—মানে কিতাপ পত্ৰ পঢ়া। বিভিন্ন কাহিনীৰ বিভিন্ন চৰিত্ৰই কেনেকৈ কি কৰে ভালকৈ লক্ষ্য কৰিবা। এইবোৰ পঢ়িলে তোমাৰ ঢেৰ জ্ঞান হ'ব, আনৰ ওচৰত নিজক কেনেকৈ প্ৰকাশ কৰিব লাগে তাকো শিকিবা, আৰু আনক কেনেকৈ শলাগিব লাগে তাকো শিকিবা।'

নৰেনে তাৰ মোমায়েকৰ কথাখিনি মন্ত্ৰ শুনাদি শুনিলে। আৰু সি তাৰ মোমায়েকৰ কথা মতে বিভিন্ন-পত্ৰ কিতাপ পঢ়িবলৈ ধৰিলে।

পুতেক নৰেনৰ মাজত এই পৰিৱৰ্তন আৰু বিশেষকৈ অধ্যয়নস্পৃহা লক্ষ্য কৰি নৰেনৰ মাক-দেউতাকৰ মনত আনন্দৰ পাৰ-কূল নোহোৱা হ'ল। তেওঁলোকে আৰু লক্ষ্য কৰিলে যে নৰেনে এতিয়া আনকো শলাগিছে। চুবুৰীটোত ফুৰিবলৈ ওলাই সি যাক লগ পায় তাকেই শলাগে আৰু নিজৰ সম্পৰ্কেও

বৰাই কৰি কয়। এইদৰে, কিছুদিনৰ পাছত দেখা গ'ল যে চুবুৰীৰ মানুহখিনিয়েও নৰেনক এৰাই চলিছে।

এই কথা শুনি আৰু দেখি নৰেনৰ মাক-দেউতাক পুনৰ নৰেনৰ সম্পৰ্কে চিন্তিত হৈ পৰিল। নগেনে তেওঁ পৰিবাৰ নিৰ্মলাক ক'লে, "এটা কাম কৰোঁ আহাঁ, তাৰ বিয়া পাতোঁ। বিয়াৰ পাছত সি তাৰ ঘৈণীয়েকৰ আগত নিজৰ কথা বৰাই কৰি কিমান কয় কৈ থাকক। কিন্তু আমি তাৰ কবলৰপৰা ৰেহাই পাম।"

যেন কথা তেন কাম, নগেন বোলে তাৰেই নাম। পাছদিনাৰেপৰাই নগেনে তেওঁৰ পুতেক নৰেনৰ কাৰণে কইনা বিচৰাত লাগিল। কিন্তু ইতিমধ্যেই নৰেনৰ কথা ইকাণে-সিকাণে যিখিনি ওলাইছিল, তাৰ ফলতে, কোনেও নৰেনক ছোৱালী নিদিয়া হ'ল। তেতিয়া এই সমস্যাৰ সমাধানৰ বাবে নৰেনৰ মোমায়েকক মতাই পঠিউৱা হ'ল।

ভনীয়েক আৰু ভিনিহীদেউৰ কথা শুনি মোমায়েকে ক'লে, "নৰেনৰ কাৰণে পাত্ৰীৰ বন্দৱস্ত মই কৰি থৈছোঁ কেতিয়াবাই। আমাৰ গাঁৱৰে ছোৱালী, তাইৰ নাম নন্দিনী।"

কিন্তু নন্দিনীৰ সম্পৰ্কে অনুসন্ধান কৰি নগেনে জানিব পাৰিলে যে ছোৱালীজনী দেব-দেৱীৰ সম্পৰ্কে একেবাৰে শ্ৰদ্ধাভক্তিহীন। আনকি শিৱৰাত্ৰিও পালন নকৰে তাই। তথাপি, আন কোনেও নৰেনক ছোৱালী নিদিয়াত, নন্দিনীকে বোৱাৰী কৰি অনাৰ কথা খাটাং কৰিবলগা হ'ল।

নৰেনৰ সৈতে নন্দিনীৰ বিয়া হৈ গ'ল। আৰু বিয়াৰ পাছৰেপৰাই নৰেনে নিজৰ গুণৰ কথা বখানি ঘৈণীয়েকৰ কাণৰ মলি গুচাবলৈ ধৰিলে।

কিন্তু এইবোৰ কথা সদা-সৰ্বক্ষণ শুনি শুনি নন্দিনীৰো আমনি লাগি গ'ল।

তাই এই কথাত জ্বলা-কলা হৈ বহু ভবা-গুণা কৰি এটা উপায় উলিয়ালে।

হঠাৎ এদিন তাই ঘৰত ভালেমান দেৱ-দেৱীৰ সৰু সৰু মূৰ্তি স্থাপন কৰি ধুমধামেৰে পূজা আৰম্ভ কৰিলে। কেতিয়াবা তাই ঘণ্টাৰ পাছত ঘণ্টা জুৰি পূজা কৰিছিল। পূজা কৰাৰ সময়ছোৱা নৰেনৰ বাধ্যতামূলক নীৰৱতা। আৰু নৰেনৰ মাক-দেউতাকৰ মনত আনন্দৰ ঢল। তেওঁলোকে ভাবিলে ঃ বোৱাৰীৰ মনত দেৱ-দেৱীলৈ অপাৰ ভক্তিভাৱৰ জোৱাৰ আহিল। নহ'লেনো ঘণ্টাৰ পাছত ঘণ্টা জুৰি একাগ্ৰচিত্তে হৈ কোনোবাই একদৰে পূজা কৰিব পাৰেনে?"

কিন্তু এইবোৰ কথা শুনি মোমায়েকে ভাবিলে ঃ নন্দিনীয়ে যদি এইদৰে দিন কটায়, তাই এদিন চাগৈ বলিয়াজনী হৈ পৰিব। সেই দেখি এদিন তেওঁ নৰেনক ক'লে, "চোৱা নৰেন, আগতে তোমাৰ একেবাৰে ধোদৰ পচলা বন্ধু কিছুমান আছিল, সিহঁতৰ মেৰজাল ফালি ওলাই অহাৰ বাবে মই তোমাক উপায় দিছিলোঁ। বুলি তুমি মুক্তি পালা। এতিয়ানো আৰু ওফাইডাং মাৰি ফুৰাৰ দৰকাৰ কি? এতিয়াৰপৰা নিজৰ প্ৰশংসা নিজে একদম নকৰিবা, কেৱল আনৰ প্ৰশংসাহে কৰিবা। চাবা, তেতিয়া কিমান মজা পাবা তুমি। আৰু—আটাইতকৈ ভাল হ'ব সদায় বিভিন্ন কাম-বনত থকাটোহে। কাম কৰাতকৈ আৰাম আন একোতেই নোপোৱা।"

নৰেনে মোমায়েকৰ কথাবোৰ দ'কৈ ভাবি চালে। আৰু তাৰ পাছত নৰেনে চেষ্টাৰে তাৰ জীৱনৰ ধাৰা আমূল পৰিৱৰ্তিত কৰি কামৰ মাজত ডুব দিলে।

আগলৈ নৰেন এজন প্ৰকৃত পৰিশ্ৰমী তথা নিষ্ঠাবান সংসাৰী মানুহ হিচাপে সকলোৰে ওচৰত শলাগৰ পাত্ৰ হৈছিল।

মিলাপ্ৰীতি-মিলনগীতি

এখন গাঁৱত হাৰাধন নামৰ এজন হালোৱা আছিল। হাৰাধনৰ ঘৈণীয়েকো বৰ ভাল। এই হালৰ মাজত মিলাপ্ৰীতি আনৰ ঈৰ্ষাৰ কাৰণ। হালোৱা হাৰাধনে যি কামকে নকৰক, তাৰ ঘৈণীয়েক নয়নীয়ে একো বাদ-প্ৰতিবাদ নকৰিছিল। গোটেই বছৰটো খোৱাৰ জোখাৰে ধাননি আছিল সিহঁত হালৰ, আৰু আছিল গাই। নয়নীয়ে অলপ অলপকৈ সাঁচি এশ টকা গোটাইছিল।

এদিন নয়নীয়ে গিৰিয়েক হাৰাধনক ক'লে, "আমাৰ এজনী গাইৰে দেখোন চলি যায়। দুজনী গাইৰ দৰ্কাৰ নাই। এজনীক বেচি দিয়া।"

হালোৱা হালোৱানীৰ মাজত ইমানেই বুজাপৰা-মিলাপ্ৰীতি আছিল যে ঘৈণীয়েকৰ কথা গিৰিয়েকে, গিৰিয়েকৰ ঘৈণীয়েকে বিনা ওজৰ-আপত্তিৰে মানি চলিছিল।

গতিকে, বিনা প্ৰতিবাদে হাৰাধন হালোৱাই গাইজনীক বেচিবলৈ ওলাল। কিন্তু সি গাইজনীক একোপধ্যে বেচিব নোৱাৰি, গাইজনীকলৈ পুনৰ ঘৰমুৱা হ'ল। বাটত হালোৱা হাৰাধনে ভাবি থাকিল ঃ বেচিব নোৱাৰিলোঁ যেতিয়া— কি আৰু কৰিম। ঠিক আছে, মাছ তো নহয় যে গেলি যাব। ইমানদিন আছিল, এতিয়াও থাকিব ঘৰতে। থাকক। এনেতে এটা চুটি-চাপৰ ঘোঁৰাৰে সৈতে এজন মানুহ বিপৰীত ফালৰপৰা আহিল। অলপ কথা-বতৰা পতাৰ পাছত হালোৱা হাৰাধনে ঘোঁৰাটো খুজি লৈ তাৰ বিনিময়ত গাইজনীক দিলে সেই মানুহজনক।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

তাৰ পাছত আন এজন মানুহ আহিল ছাগলী এজনী লগত লৈ। এইবাৰ হাৰাধনে ঘোঁৰাটোৰ বিনিময়ত ছাগলীজনীক ল'লে সেই মানুহজনৰপৰা।

তাৰ পাছত ছাগলীজনীক ঠেলিঠুলি টানি-আঁজুৰি লৈ গৈ থাকিল হালোৱা হাৰাধনে। এনেতে আন এজন মানুহ বিপৰীতফালৰপৰা আহিল হাঁহ এজনীক লৈ। এইবাৰো হাৰাধনে ছাগলীজনীৰ বিনিময়ত হাঁহজনী নিলে।

তাৰ পাছত হাৰাধনে জিৰণি ল'বৰ মনেৰে এজোপা গছৰ ছাঁত বহিবলৈ ধৰোঁতে আন এজন মানুহ আহিল কুকুৰা এটা লৈ হাৰাধনে হাঁহি হাঁহি হাঁহৰ সলনি কুকুৰাটো ল'লে।

তাৰ পাছত হাৰাধন হালোৱাই খৰকৈ খোজ কাঢ়িবলৈ ধৰিলে। বহু দূৰলৈকে যোৱাৰ পাছত হাৰাধন ভোকৰ পোৰণিৰে অস্থিৰ হৈ উঠিল। কিন্তু ওচৰে পাঁজৰে দোকানো নাই আৰু তাৰ ওচৰতো টকা-সিকা একো নাই। নিৰুপায়ত পৰি হালোৱা হাৰাধনে গৃহস্থ এজনক সেই কুকুৰাটো দি, তাৰ সলনি গৃহস্থৰ ঘৰত পেট পূৰাই ভাত খাই, ঘৰমুৱা হ'ল।

গাঁৱৰ বাটত হাৰাধনৰ চুবুৰীয়া হৰকান্তৰ লগত দেখাদেখি। হৰকান্তই

হাৰাধনক সুধিলে, "হেৰাহে, গাইজনীৰ কিমান দাম পালানো?"

হাৰাধনে হৰকান্তক সকলো কথা কোৱাৰ অন্তত হৰকান্তই পুনৰ ক'লে, "তোমাৰ এই মুৰ্খতা তোমাৰ পৰিবাৰে সহ্য নকৰে নিশ্চয়।"

"মোৰ নয়নী তেনেকুৱা নহয়।"

কিন্তু হাৰাধনৰ কথা হৰকান্তই মানি নোলোৱাত হাৰাধনে উত্তেজিত হৈ ক'লে, "ঠিক আছে, নয়নীয়ে যদি মোক এই কথাত কিবা গালি-ছালি পাৰে, মই তোমাক এশ টকা দিম। আৰু তাই যদি মোক একো নকয়, তুমি কি দিবা?"

"ময়ো এশ টকা ভৰিম।" চুবুৰীয়া হৰকান্তই হাৰাধনক ক'লে।

ঘৰ পোৱাৰ লগে নয়নীয়ে হাৰাধনক সুধিলে, "গাইজনীক কিমানত বেচিলা?"

"গাইজনীক কোনেও নিকিনিলে। সেই দেখি মই গাইজনীৰ সলনি ঘোঁৰা এটা ললোঁ।" হাৰাধনে ক'লে।

"ভাল কৰিলা।" নয়নীয়ে ক'লে।

"কিন্তু ঘোঁৰাটোক মই লৈ আহিব নোৱাৰিলোঁ। ঘোঁৰাটোৰ পৰিৱৰ্তে ছাগলী এজনী লৈছিলোঁ আন এজনৰপৰা।"

"খুব ভাল কৰিছা। ঘোঁৰাতকৈ ছাগলী ঢেৰ ভাল। ছাগলীজনী ক'ত?"

"মোৰ কথা শেষেই নহ'ল নহয়? ছাগলীজনীৰ বিনিময়ত হাঁহ এজনীক ল'লোঁ এজনৰপৰা।"

হাৰাধনৰ এই কথাৰ উত্তৰত নয়নীয়ে কৈ উঠিল, "বৰ ভাল কৰিলা। ছাগলীজনীক কোনেনো চৰাই থাকিব?"

"মই কিন্তু সেই হাঁহজনীকো বিদায় কৰিলোঁ—এটা ভাল কুকুৰাৰ বিনিময়ত।"

"হাঁহতকৈ কুকুৰা সদায় ভাল। ৰাতি পুৱালেই মাতি জগাব।"

"পিছে—তাৰ পাছত কি হ'ল—মোৰ বৰ ভোক লাগিল। পইচা-পাতিও নাছিল। তেতিয়া কুকুৰাজনীক গৃহস্থ এজনক দি তেওঁৰ ঘৰত পেট পুৰাই ভাত খালোঁ।" হাৰাধনে ক'লে।

"ভাল কৰিলা। কুকুৰাতকৈ তোমাৰ প্ৰাণৰ দাম বেছি।" নয়নীয়ে ক'লে।

তেতিয়া হাৰাধনে হৰকান্তক ক'লে, "আমাৰ কথা শুনিলানে?"

"শুনিলোঁ। কথা আচৰিতেই।" হতবাক হৰকান্তই হতাশভাৱেৰে ক'লে।

যি কি নহওক, হৰকান্তই হাৰাধনক এশ টকা দিলে। এইদৰে, গাইজনীক বেচি যিমান টকা পালেহেঁতেন, হাৰাধনে কমেও তাৰ দুগুণ টকা পালে।

শিৱ-পুৰাণ

৬

ইমান দিনৰ অন্তত শিৱই পাৰ্বতীক বিবাহ কৰাবলৈ স্থিৰ কৰিলে। কিন্তু তেতিয়া শিৱৰ কাণ্ড দেখি, অৰ্থাৎ মহা অৰণ্য আৰু মন্মথকো নিমিষতে জুইৰে ভস্মীভূত কৰি পেলোৱাত হিমৱন্ত আৰু মেনকাই ভয় খালে। তদুপৰি, এজন সাধাৰণ ভিখাৰীয়ে এদিন তেওঁলোকক ক'লে যে শিৱ হ'ল আচলতে এটা অঘৰী। সাপ আৰু ষাঁড় হ'ল শিৱৰ লগৰীয়া। শিৱৰ ঘৰ নাই দুৱাৰ নাই দেশ নাই। শিৱৰ নিজৰ খোৱা-পিন্ধাৰো সংস্থান নাই। শিৱক ভূতপ্ৰেতবিলাকে সদায় আগুৰি থাকে, শিৱ নিজেও এটা ভূত। শিৱ ভিখাৰীৰো ভিখাৰী। এতেকে—শিৱ নামৰ দেৱতাক আচলতে এটা অপদেৱতা বুলিহে ক'ব পাৰি। আন কোনোবা দেৱতাই এনেকৈ ভূত-প্ৰেত লৈ থাকেনে? নাথাকে। শিৱ হ'ল দেৱতাকুলৰ কলংক। কামতো যেনে দেখাতো তেনে এই শিৱ। গাত ছাই সানি থাকে সদায়। অৰ্ধ-উলংগ। ইত্যাদি।

হিমৱন্তৰপৰা এইবোৰ কথা শুনি সপ্তঋষিয়ে অতি আচৰিত হৈ ক'লে, "এই মগনিয়াৰটো নিশ্চয় কোনোবা দুৰাত্মা। শিৱে পাৰ্বতীক বিবাহ কৰোৱাটো সি নিবিচাৰে। কিন্তু মহাদেৱ শিৱক বিবাহ কৰাবলৈহে যে পাৰ্বতীৰ জন্ম হৈছে—সেই কথাত সন্দেহৰ থল নাই। তিনিও লোকৰ মংগলৰ কাৰণে এই বিবাহ অতি

'পাৰ্বতীৰ বিবাহ'



আৱশ্যক।" এই বুলি মন্তব্য কৰাৰ অন্তত বশিষ্ঠ মহামুনিয়ে মেনকা আৰু হিমৱন্তক অনৰণ্য নামৰ ৰজাৰ এক অতি আকৰ্ষণীয় কাহিনী শুনাবলৈ ধৰিলেঃ

ইন্দ্ৰ সাৱৰ্ণি নামে মনুৰ চতুৰ্দশ বংশজাত অনৰণ্য ৰজাৰ পাঁচগৰাকী পত্নী পুত্ৰৰ সংখ্যা আছিল এশ। এশটি পুত্ৰৰ পাছত এজনী ছোৱালী উপজিল। এই ছোৱালীজনীৰ নাম পদ্মাৱতী। পদ্মাৱতী গাভৰুজনী হোৱাৰ পাছত ৰজা অনৰণ্যই তাইৰ অৰ্থাৎ পদ্মাৱতীৰ কাৰণে সকলোতে দৰা বিচাৰি থাকিল।

ইপিনে ৰূপৱতী পদ্মাৱতীক এদিন তাহাৰ সখিয়েকইঁতৰ সৈতে দেখা পাই ভৃগুবংশজাত দধীচিৰ পুত্ৰ পিপ্পলাদ মুনি মুগ্ধ হৈ পৰিল। তেওঁ ইমানেই মোহিত হ'ল যে যেনেকৈয়ই নহওক পদ্মাৱতীক বিবাহ কৰাবলৈ মনস্থিৰ কৰি পেলালে। কিন্তু কেতেকৈ যে এই প্ৰস্তাৱ প্ৰকাশ কৰিব তাকে ভাবি তেওঁ অস্থিৰ হৈ উঠিল আৰু ভাবি ভাৱি অৱশেষত তেওঁ অনৰণ্যৰজাৰ কাষ চাপি পদ্মাৱতীক বিয়া কৰাবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

পিপ্পলাদ মুনিৰ কথা শুনি ৰজা অনৰণ্য বিপাঙত পৰিল। তেওঁ তেওঁৰ একমাত্ৰ কন্যা পদ্মাৱতীক কোনোবা ৰাজকোঁৱৰৰ সৈতেহে বিয়া দিব বুলি ভাবিছিল, কোনোবা মুসি ঋষিক দিয়াৰ কথা তেওঁ কল্পনাতো নাছিল। এতিয়া, মুনিক নিদিলে যদি মুনিয়ে কিবা অভিশাপ দিয়ে—? আনকি মুনিয়ে তেওঁক সবংশে ধ্বংসো কৰিব পাৰে।

তেতিয়া অনৰণ্য ৰজাৰ পুৰোহিত আৰু মন্ত্ৰীগণে তেওঁলৈ এটি পৰামৰ্শ আগবঢ়ালে। তেওঁলোকে ক'লে, "মহাৰাজ, এইকুলশ্ৰেষ্ঠ মুনি এক সুবিখ্যাত বংশৰ সন্তান। আপুনি পদ্মাৱতীক এই মুনিৰ ওচৰলৈ লৈ যাওক। পদ্মাৱতীয়ে যদি আপত্তি নকৰে—তেনেহ'লে তাইক মুনিৰ

হাতত সমৰ্পণ কৰক। এই কথাত চিন্তিত নহ'ব। আৰু যদি পদ্মাৱতীয়ে মুনিক বিয়া কৰাবলৈ মান্তি নহয়, মুনি নিজেই ইয়াৰপৰা গুচি যাবগৈ।"



পিপ্পলাদ মুনিক দেখি মুগ্ধ হ'ল পদ্মাৱতী। আৰু এদিন পিপ্পলাদ মুনিৰ সৈতে ৰূপৱতী পদ্মাৱতীৰ বিয়া হৈ গ'ল আৰু পিপ্পলাদে তেওঁৰ নৱ পৰিণীতা পত্নী পদ্মাৱতীৰে সৈতে ৰংমনে ঋষিপল্লীলৈ গুচি গ'ল।

পদ্মাৱতী গুচি যোৱাৰ লগে লগে ৰজা অনৰণ্যই তেওঁৰ জ্যেষ্ঠপুত্ৰৰ ওপৰত দেশ শাসনৰ দায়িত্ব অৰ্পি বানপ্ৰস্থলৈ গুচি গ'ল। কিন্তু তেওঁ বানপ্ৰস্থলৈ গ'ল তেওঁৰ জীয়েক পদ্মাৱতী থকা ঠাইলৈ। জীয়েক পদ্মাৱতীৰ প্ৰতি তেওঁৰ আকৰ্ষণ আছিল ইমানেই প্ৰবল।

এদিন পাৰ্বতীয়ে নৈত স্নান কৰি থাকোঁতে নৱমন্মথৰূপী এজন যুৱকে পদ্মাৱতীক ক'লে, "হে সুন্দৰী পদ্মাৱতী, তুমি তোমাৰ জীৱন এটা বুঢ়াক বিয়া কৰাই নষ্ট কৰিলা। তুমি মোক বিয়া কৰাই, মোৰ দেশৰ মহাৰাণী হৈ, এতিয়াও সেই ভুল শুধৰাব পাৰা।"

এই কথা শুনি পাৰ্বতীয়ে যুৱকলৈ অভিশাপ দিলে, "মোৰ স্বামী নিন্দা হেতুকে তোমাৰ ক্ষয় অৱশ্যম্ভাৱী।"

তেতিয়া যুৱকে কৈ উঠিল, "হে পদ্মাৱতী, হে জননী, মই কোনো ৰজা নহওঁ, আচলতে মই ধৰ্মদেৱতা। তোমাৰ পাতিব্ৰত্য পৰীক্ষা কৰি চাবলৈহে মই আহিছিলোঁ। মোক তুমি ক্ষমা কৰাঁ, মোক অভিশাপমুক্ত কৰাঁ।"

পদ্মাৱতীয়ে ক'লে, "তুমি যে ধৰ্মদেৱতা সেই কথা নাজানিয়েই অভিশাপ দিছিলোঁ; কিন্তু এই অভিশাপ কাৰ্য্যকৰী হ'বই। যুগে যুগে একোটাকৈ ক্ষয় অৱশ্যম্ভাৱী।"

এই কাহিনী কোৱাৰ অন্তত বশিষ্ঠই ক'লে, "হে মেনকা আৰু হিমৱন্ত,

তোমালোকেও অনৰণ্যৰ দৰে তোমালোকৰ কন্যা পাৰ্বতীক শিৱৰ সৈতে বিবাহ দিয়াঁ।”

তেতিয়া হিমৱন্ত আৰু মেনকা সন্মত হ'ল। মাঘ মাহত শুদ্ধ একাদশীৰ দিনা আৰুদ্ৰ নক্ষত্ৰৰ সমুখত বৃশ্চিক লগ্নত বিবাহ প্ৰদান স্থিৰ কৰা হ'ল।

সপ্তঋষিয়ে শিৱক সকলো কথা ক'লে। এই বিবাহত ব্ৰহ্মা, বিষ্ণু আৰু সমভাৱে ইন্দ্ৰকো উদ্যোগী কৰি তুলিবলৈ কোৱা হ'ল।

পাৰ্বতীৰ বিবাহ অনুষ্ঠানলৈ হিমৱন্তৰ আমন্ত্ৰণ পাই দলে দলে বন্ধু-বান্ধৱ, মিতিৰ-কুটুম আহি থাকিল। কোনোবাই আনিলে সোণৰ কাঁহী, কোনোবাই হীৰা মাণিক মুকুতা, কোনোবা ৰজাই নৰৰত্ন লৈ আহিল। কোনোবা আহিল হাতীৰ পিঠিত উঠি, কোনোবা আহিল ঘোঁৰাত উঠি, কোনোবা-কুন্দুবি ৰথত।

হিমৱন্তই তেওঁলোক যথোচিত সন্মানেৰে আদৰি ল'লে। স্বয়ং বিশ্বকৰ্মাৰ তত্বাৱধানত নিৰ্মিত দহ সহস্ৰ যোজন আয়তনৰ মণ্ডপত অৰ্থাৎ ৰভাঘৰত অতিথি-সকলক থাকিবলৈ দিলে তেওঁ।

হিমৱন্তৰ সন্মতিপত্ৰ দূতৰ হতুৱাই কৈলাসতে পাই শিৱো সন্তুষ্ট হ'ল। বায়ুদেৱৰ হতুৱাই শিৱই তৎক্ষণাৎ নাৰদক মতাই পঠিয়ালে। নাৰদো বাতৰি পায়েই শিৱ-সন্নিধানলৈ আহিল।

নাৰদৰ জিজ্ঞাসাৰ উত্তৰত শিৱই সবিনয়ে ক'লে, “নাৰদ, মোৰ বিবাহৰ আৰু মাত্ৰ পাঁচদিন আছে। হিমৱন্তৰ কন্যা পাৰ্বতীক মই বিবাহ কৰাম। সময় নিচেই কম। অথচ—বন্ধু-বান্ধৱ, মিতিৰ কুটুমসকললৈ খবৰ তো পঠাব লাগিব। কেৱল কৈলাসৰে নহয়, তিনিও লোকৰে সকলোটিলৈ খবৰ পঠাব লাগিব। কথা কেৱল ইমানেই নহয়, বিবাহৰ বাবে লাগতিয়াল দ্ৰব্য-সামগ্ৰী গোটোৱাৰ দায়িত্ব কুবেৰক দিব লাগিব। গতিকে—ইমান

কম সময়ৰ ভিতৰত একমাত্ৰ তুমিহে সকলো কাম সুকলমে কৰি দিব পাৰিবা বুলি মোৰ বিশ্বাস হোৱাত এতিয়া তোমাৰ শৰণ লৈছোঁ।"

এই গুৰুদায়িত্ব লাভ কৰি নাৰদে গৌৰৱ বোধ কৰিলে। নাৰদ তৎক্ষণাৎ ব্ৰহ্মা, বিষ্ণু আৰু ইন্দ্ৰৰ ওচৰলৈ গ'ল। তাৰ পাছত তেওঁ গ'ল ভূলোকলৈ। সকলোকে নিমন্ত্ৰণ জনোৱাৰ পাছত, বিবাহৰ দ্ৰব্য-সামগ্ৰীৰ বন্দৱস্ত কৰাৰ মনেৰে কুবেৰৰ ওচৰলৈ গৈ, দ্ৰব্য-সামগ্ৰীৰে সৈতে কুবেৰকো লগত লৈ কৈলাস পালেহি।

শিৱ-পাৰ্বতীৰ বিবাহ চাবলৈ আৰু খাবলৈ ব্ৰহ্মা, বিষ্ণু, ইন্দ্ৰ প্ৰমুখ দেৱতা আৰু মহৰ্ষিসকল কৈলাসত সমৱেত হ'লহি। আমন্ত্ৰিতসকলক নন্দীশ্বৰ আৰু ৰুদ্ৰগণে শিৱৰ হৈ আদৰিলে।

স্বয়ং ব্ৰহ্মা হ'ল শিৱৰ বিবাহৰ পুৰোহিত। বিষ্ণু, ইন্দ্ৰ আৰু ঋষিগণে এই কাৰ্য্যত ব্ৰহ্মাৰ লগত হাত-উজান দিলে। শিৱক ফূল আৰু চন্দনেৰে সজ্জিত কৰা হ'ল।

তাৰ পাছত, ব্ৰহ্মাৰ নিৰ্দেশমতে মংগলবাদ্য বাজি উঠিল। লগে লগে পুৰাণ পাঠ চলি থাকিল। কৈলাসৰ ৰক্ষক-হঁতক থৈ, প্ৰথমগণৰে সৈতে সকলোটিক লগত লৈ নন্দীশ্বৰ বিবাহ মণ্ডপলৈ আহিল। বীৰভদ্ৰ, চণ্ডীশ্বৰ, ভৈৰৱ আৰু নন্দীশ্বৰে নিজ নিজ বাহনত উঠি বিবাহ মণ্ডপলৈ বুলি গৈ থাকিল।

শিৱ হস্তীৰ পিঠিত উঠি বহিল আৰু লাহে-ধীৰে বিবাহথলীলৈ আগুৱাই গৈ থাকিল। সৰস্বতীয়ে হাঁহৰ পিঠিত উঠি বীণা বাদন কৰি কৰি গৈ থাকিল। লক্ষ্মী আৰু বিষ্ণু গৈ থাকিল গৰুড়ৰ পিঠিত উঠি আৰু শচী আৰু ইন্দ্ৰ চলমান সিংহাসনত উপবেশন কৰি বিবাহমণ্ডপলৈ আগবাঢ়িল। কুবেৰ বহি আছিল শিৱৰ পিছফালে। ইপিনে দেৱপত্নী, ঋষিপত্নী



আৰু অপ্সৰাসকলে সুগন্ধি দ্ৰব্যৰে সৈতে ৰথত উঠি বিবাহস্থললৈ ৰাওনা হ'ল।

হিমৱন্তই সকলোটিলৈ সাদৰ আহ্বান জনাই, শিৱৰ সমুখত কৰযোৰে থিয় হৈ শিৱক ক'লে, "হে শিৱ, তোমাৰ কাৰণে মই খ্যাতিলাভ কৰিছোঁ। তুমি দৰা ৰূপে মোৰ গৃহলৈ অহাত মই ধন্য মানিছোঁ। তোমাৰ হাতত মোৰ কন্যা পাৰ্বতীক সঁপিবলৈ পাই মই গৰ্বিত। তুমি পাৰ্বতীক পত্নীৰূপে গ্ৰহণ কৰি মোক আৰু মোৰ বংশাৱলীক ধন্য কৰিবা— এয়ে মোৰ একমাত্ৰ আশা।"

হিমৱন্তই আৰু পৰিয়ালৰ মহিলাসকলে শিৱক দেখি অতিশয় ভাল পালে। তেওঁলোকে পৰস্পৰক কৈ থাকিল, "আমাৰ পাৰ্বতীজনী বৰ ভাগ্যৱতী। তাই কৌটিয়ে কৌটিয়ে মন্মথৰ সমতুল্য এগৰাকী স্বামী পালে।"

শিৱৰ সমুখত কৰযোৰে থিয় হৈ মেনকাই শিৱক ক'লে, "হে শিৱ, তোমাক যিহঁতে ভাল নাপায়, সিহঁতৰ কথাত ভোল গৈ ময়ো তোমাক নিন্দিছিলোঁ। তাৰ বাবে মই লজ্জিত আৰু ক্ষমাপ্ৰাৰ্থী। মোৰ সেই অপৰাধ মনৰপৰা মচি পেলাই তুমি যে আমাৰ পাৰ্বতীক গ্ৰহণ কৰিবলৈ আহিছা—ই তোমাৰ যোগ্য উদাৰতা।"

তাৰ পাছত বিবাহ-পৰ্ব আৰম্ভ হ'ল। চাৰিওফালৰপৰা উৰুলিধ্বনি আৰু বিভিন্ন বাদ্যধ্বনি শুনা গ'ল। কুলাচাৰ বা বংশাচাৰ অনুযায়ী পাৰ্বতীয়ে অম্বিকালৈ পূজা আগবঢ়ালেগৈ। পাৰ্বতীয়ে অম্বিকা-মন্দিৰৰপৰা দোলাতে উঠি উভতি আহোঁতে দেৱতাসকলে কৈ উঠিল, "পাৰ্বতী নিশ্চয় অপদেৱী। শিৱে পাৰ্বতীক বিয়া কৰালে আমাৰ দুখৰ-কষ্ট পাৰকূল নোহোৱা হ'ব।"

অম্বিকাৰ মন্দিৰৰপৰা পাৰ্বতীক পোনে পোনেই বিবাহ-মণ্ডপলৈ লৈ যোৱা হ'ল, শিৱো তেতিয়াই হস্তীৰ পিঠিৰপৰা নামি আহি বিয়াৰ পীৰাত বহি দিলে। মেনকা

Sankar...

আৰু হিমৱন্তই শিৱৰ চৰণ পানীৰে প্ৰক্ষালিত কৰি, সেই পানী নিজ নিজ মস্তকত ছটিয়াই, শিৱৰ হস্তত পাৰ্বতীৰ হস্ত স্থাপন কৰি কন্যাদান কৰিলে।

বিবাহৰ অন্তত দেৱতা-মুনি-ঋষি প্ৰমুখ নিমন্ত্ৰিতসকলে বিদায় ল'লে। শিৱ হিমৱন্তৰ গৃহতে কিছুদিন যাপন কৰি এদিন কৈলাসলৈ উভতি গ'ল।

শিৱে পাৰ্বতীক লৈ কৈলাসলৈ যাওঁতে পাৰ্বতীক নানান ৰঙৰ বস্ত্ৰ আৰু অলংকাৰ প্ৰদান কৰা হ'ল। গুচি যোৱাৰ আগে আগে মেনকা আৰু হিমৱন্তই শিৱক ক'লে "বোপা শিৱ, পাৰ্বতীৰ দোষ-ত্ৰুটি ক্ষমা কৰি তাইক অলপ আদৰ-সাদৰ কৰিবা।" তাৰ পাছত হিমৱন্ত, মেনকা আৰু আন বহুতকো কন্দুৱাই শিৱ-পাৰ্বতীয়ে বিদায় ল'লে।

পাৰ্বতীক লগত লৈ শিৱ কৈলাসলৈ আহিল। মহৰ্ষিগণৰ উপদেশ মতে শিৱে পাৰ্বতীক লগত লৈ গৃহপ্ৰৱেশ কৰিলে। এই উপলক্ষ্যে তিনিদিন ধৰি শিৱগৃহত খোৱা-বোৱা চলি থাকিল আত্মীয়-স্বজন বন্ধু-বান্ধসকলৰ সৈতে। তাৰ পাছত ব্ৰহ্মা, বিষ্ণু আৰু ইন্দ্ৰ প্ৰমুখ দেৱগণ শিৱৰপৰা অনুমতি লৈ গুচি গ'ল। শিৱে তেওঁলোকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলে।

সকলো অতিথি-অভ্যাগত-নিমন্ত্ৰিত গুচি যোৱাৰ অন্তত শিৱই নন্দীশ্বৰক ক'লে, "এতিয়া মোৰ, আৰু পাৰ্বতীৰো বিশ্ৰামৰ আৱশ্যক হৈছে। মোৰ মহাসৌধ অলংকৃত কৰা হওক।"

শিৱৰপৰা এই নিৰ্দেশ লাভ কৰি নন্দীশ্বৰে গণাধিপতিসকলক লগত লৈ শিৱৰ মহসৌধ চাফ-চিকুণ কৰি সুগন্ধি দ্ৰব্যেৰে আমোলমোলাই ফুল-পাতেৰে সুসজ্জিত কৰিলে।

তাৰ পাছত পাৰ্বতীক লগত লৈ শিৱ সেই সুসংস্কৃত মহাসৌধত প্ৰবেশ কৰিলে।

অকাট্য

গাঁৱৰ নাম গৰমপুৰ। গৰমপুৰৰ গগনধৰ নামৰ মানুহজন আছিল একাচেকা বিধৰ। সৰুসুৰা যিকোনো কথাতে লাগি হৈ হুলস্থুল লগাইছিল সি, অৱস্থাই যেতিয়া বেয়ালৈ ঢাল লৈছিল, তেতিয়া গগনে কৈছিল, "এইবোৰ কথাৰ মীমাংসাইয়াত নহ'ব, এই কথাৰ বিচাৰৰ বাবে নগৰৰ বিচ ৰালয়লৈ যাব লাগিব।"

এবাৰ গৰমপুৰৰ গাঁৱৰপৰা এজন প্ৰতিনিধি ৰাজধানীলৈ পঠোৱাৰ নিৰ্দেশ আহিল ৰজাৰপৰা। গাঁৱলীয়া ৰাইজে এই প্ৰতিনিধি বাছি উলিয়াই তেওঁক ৰাজধানীলৈ পঠোৱাৰ দায়িত্ব দিলে গাঁৱৰ এগৰাকী মূধাফুটাক।

সেই মূধ'ফুটাই দিনে-নিশাই গাঁৱৰ অ'ত ত'ত ঘূৰি-ফুৰি বিভিন্ন মানুহক ক'লে যাতে তেওঁলোকে গগনক গাঁৱৰ প্ৰতিনিধি হিচাপে নিৰ্বাচন কৰে।

একাণ-দুকাণ হৈ হৈ যেতিয়া সহস্ৰ কাণলৈ বাগৰিল কথাটো, তেতিয়া গাঁৱৰ ৰাইজে এক-বাক্যে ক'লে, "ওহোঁ, এনেকুৱা এটা মহাগুণ্ডৰীয়াক প্ৰতিনিধি হিচাপে পঠোৱাটো ঠিক নহব।"

এনেবোৰ কথাৰ উত্তৰত মূধাফুটাই বুজাই-ফুটাই ৰাইজক ক'লে, "তোমালোকে এটা কথা বুজিবলৈ যত্ন কৰা। যিটো মানুহে গাঁৱত থাকি হৈ-হুলস্থুল লগায়, আনৰ দোষ খুচৰি উলিয়াই নগৰৰ আদালতলৈ যায়, তাক গাঁৱৰ প্ৰতিনিধি হিচাপে ৰাজধানীলৈ পঠালে সি ৰাজধানীতে যদি বছৰৰ অধিক দিন থাকেগৈ—গাঁৱৰ তথা তোমালোকৰে ভাল নহ'ব জানো? কিয়নো, তাৰ দৰে বেয়া আন এটাও তো আমাৰ গাঁৱত নাই। এই ছেগতে আমি তাক গাঁৱৰপৰা নেখেদোঁ কিয়?"

মূধাফুটাৰ এই কথা তথা অকাট্য যুক্তি গাঁৱৰ সকলোটিয়ে একবাক্যে মানি ল'লে আৰু গগনকে গৰমপুৰৰ প্ৰতিনিধি হিচাপে নিৰ্বাচন কৰি ৰাজধানীলৈ পঠাই দিলে।



অভিজ্ঞতাৰ দাম

ইৰাক দেশৰ কেৰবান অঞ্চলৰ তৰুণ ছুলতানৰ ধাৰণা আছিল যে তেওঁৰ বৰ দিমাগদাৰ (জ্ঞানী)। তেওঁ সদায় আনৰ ওচৰত নিজৰ জ্ঞানৰ কথা জাহিৰ কৰিছিল আৰু কৈছিল, "মই ততাভুকুতাকৈ কাম নকৰো, ভাবি-গুণিহে কৰোঁ।"

ছুলতানৰ এই কথাৰ বিৰুদ্ধে মাত মতাৰ দাঁত কাৰো নাছিল। সকলোটিয়েই ছুলতানৰ কথাত কেৱল হয়ভৰ দিছিল। তেওঁলোকে কৈছিল, "মহামান্য ছুলতান, আপুনি কৰাখিনি যে কেৱল ভাবি-গুণি কৰে কথা সিমানেই নহয়, আপুনি কোৱা কথাখিনিও সদায় ভাবি-চিন্তিহে কয়। আপোনাৰ মান জ্ঞানৱান ছুলতান ছুনীয়াখনত বিচাৰি পোৱা টান।"

কিন্তু ছুলতানৰ বৃদ্ধ মন্ত্ৰীয়ে ছুলতানক প্ৰায়েই কৈছিল, ভাবি-চিন্তি কাম কৰিব। কৰাৰ পাছত আফছোছ নকৰিব।"

বৃদ্ধ মন্ত্ৰীৰ কথাত ছুলতানে মুঠেই ভাল নাপাইছিল। ছুলতানৰ আছিল এটা শেনচৰাই। চিকাৰলৈ ওলাওঁতে ছুলতানে শেনচৰাইটোকো লগত লৈছিল। ছুলতানে চিকাৰ কৰোঁতে শেনচৰাইটো আকাশত উৰি ফুৰিছিল। শেনৰ উৰণ-ঘূৰণলৈ চাই, চিকাৰ ক'ত আছে—সেই কথাটো ছুলতানে ফটফটীয়াকৈ বুজি পাইছিল। কেতিয়াবা চিকাৰৰ জন্তুটো জংগলত আত্মগোপন কৰিলে শেনচৰাইটোৱে ঠিক তাৰ ওপৰত পাক খাইছিল আৰু ছুলতানে অব্যৰ্থভাৱে চিকাৰ কাৰিছিল।

এবাৰ চিকাৰলৈ গৈ—জংগলত ভৰি দিয়াৰ লগে লগেই ছুলতানে এটি পহুক

'আৰবদেশৰ দাস্তাঁ (সাধু)'

দেখা পালে। ছুলতানৰ লগৰীয়াসকলে পহুটোক চাৰিওফালৰপৰা আগুৰি ধৰিলে। তেতিয়া ছুলতানে ক'লে, "যাৰ কাষেদি পহুটো পলাব—তাক মৃত্যুদণ্ড দিম।"

ছুলতানৰ ঘোষণাৰ পাছত, অৱৰুদ্ধ পহুটো অলৰ শিলৰ দৰে থিয় হৈ থাকিল। তাৰ পাছত, হঠাৎ, বিজুলীগতিৰে ছুলতানৰ ঠিক মূৰৰ ওপৰেদি জাঁপ মাৰি পলাই গ'ল। ক্ৰোধত আত্মহাৰা হৈ ছুলতানে চিঞৰি কৈ উঠিল, "আজি মই পহুটোক বধ কৰিমেই।" এই বুলি কৈয়েই, বেগৰান ঘোঁৰাৰ পিঠিত উঠি, তেৰোঁ পহুটোৰ পিছে পিছে বিজুলীগতিৰে গৈ থাকিল। কিন্তু হৰিণাই যি বাটেদি যাব পাৰে, ঘোঁৰাই তো নোৱাৰে। ছুলতানৰ ঘোঁৰাটো পিছুৱাই পৰিল।

কিন্তু শেনচৰাইটো আকাশত উৰি আছিল। সি সঠিককৈ পহুটোক অনুসৰণ কৰি আছিল। শেনচৰাইটোক অনুসৰণ কৰি, অৱশেষত ছুলতানে পহুটোক কঁড়িয়াই মাৰিব পাৰিলে।

পহুটোক বধ কৰাৰ অন্তত, ছুলতান বহিলগৈ এচটা শিলৰ ওপৰত। বহুতো-পৰলৈকে লৰা-ধপৰা কৰাৰ ফলত ছুলতান বৰ ভাগৰি পৰিছিল। বিশেষকৈ, পিয়াহত তেওঁৰ অণ্ঠকণ্ঠ শুকাই গৈছিল। হঠাৎ এঠাইত—পাহাৰৰ গাত থকা শিলৰ বিন্ধাইদি এটুপি-দুটুপিকৈ পানী নিগৰি নিগৰি পাতৰ ওপৰত পৰিথকা লক্ষ্য কৰিলে তেওঁ। পানীৰ টোপাল জল-মলাই থকা পাতটো ছিঙি আনি ছুলতানে সেই পানী দুই-চাৰি টোপালকে চেলেকি খাবলৈ ধৰোঁতেই শেনচৰাইটোৱে ছো মাৰি পাতটো লৈ আকাশলৈ উৰি গ'ল।

শেনচৰাইটোৰ ওপৰত ছুলতানৰ খং উঠিল। কিন্তু পানীৰ টোপাল থকা আন এটা পাত চেলেকিবৰ মনেৰে পাতটো ছিঙি অনাৰ লগে লগেই শেনচৰাইটোৱে তাৰ জোঙা ঠোঁটোৰে পুনৰ ছো মাৰি

পাতটোক ওফৰাই পেলালে।

বাৰে বাৰে তেওঁক পানী খাবলৈ বাধা দিয়াত শেনচৰাইটোৰ ওপৰত ছুলতানৰ উগ্ৰ খং উঠিল। তেওঁ শেনচৰাইটোক ইংগিতেৰে মাতিলে তেওঁৰ ওচৰলৈ আহিবলৈ। শেনচৰাইটো ছুলতানৰ ওচৰ চপাৰ লগে লগেই ছুলতানে তৰোৱালেৰে চৰাইটোক কাটি পেলালে।

কিন্তু কাটি পেলোৱাৰ পাছ মুহূৰ্ততে ছুলতাৰ মনত প্ৰশ্ন জাগিল ঃ এই পানী ক'ৰপৰা ওলাইছে। এই পানী ওলোৱাৰ উৎস ক'ত?

মনৰ এই প্ৰশ্নৰ উত্তৰ বিচাৰি ছুলতানে গৈ গৈ এই পানীৰ উৎসস্থল পালেগৈ। তাত এক বিৰাট বিষধৰ সাপ শুই আছিল আৰু সেই সাপটোৰ মুখৰপৰা এটোপাল-দুটোপালকৈ বিষ ওলাই শিলৰ বিন্ধাইদি নিগৰি নিগৰি পাতৰ ওপৰত পৰিছিলগৈ। দেখাত সাইলাখ পানী যেন এই বিষক পানী বুলি ভাবি চেলেকি খোৱাহেঁতেন তেওঁৰ যে নিৰ্ঘাত মৃত্যু হ'লহেঁতেন—সেই কথাত ছুলতানৰ আৰু সন্দেহ নাথাকিল। এই পাতৰ পানী যে আচলতে সাপৰ বিষ—শেনচৰাইটোৱে সেই কথাটো বুজি পাইছে ছো মাৰি ছুবাৰকৈ পাত পেলাই দিছিল। মৃত শেনচৰাইটোক কোলাত লৈ ছুলতান গভীৰ আবেগত মূৰ্ছিত হৈ পৰিল।

তাৰ পাছত ছুলতানৰ অনুচৰসকলে ছুলতানক সুস্থ কৰি তুলিলে আৰু তেওঁক লৈ ৰাজধানীলৈ উভতি গ'ল।

শেনচৰাইটোক হেৰুৱাই ছুলতান একেবাৰে মনমৰা হৈ পৰিছিল। এই দুৰ্ঘটনাৰ পাছৰপৰা ছুলতানে সদায় ভালকৈ চিন্তা কৰি চাইহে কাম কৰিছিল। ইমান দিনৰ পাছতহে নিজক জ্ঞানৱান বুলি ভবা তৰুণ ছুলতানে বৃদ্ধ মন্ত্ৰীৰ কথাৰ তথা অভিজ্ঞতাৰ দাম দিলে।



আফ্ৰিকাৰ হাতী

খ্ৰীষ্টপূৰ্ব ২১৮ চনত হানিবল নামৰ এগৰাকী সেনাপতিয়ে উত্তৰ আফ্ৰিকাৰপৰা ৰোমান লোক সকলৰ ওপৰত প্ৰবল আক্ৰমণ চলাইছিল। এই যুদ্ধত হানিবলে অসংখ্য হাতীক যুদ্ধৰ কামত নিযুক্ত কৰিছিল। আল্পছৰপৰা ইতালিলৈ যোৱাৰ দুৰ্গম বাটত বহুতো হাতী মৰিল। হানিবলে যিবিলাক হাতী ব্যৱহাৰ কৰিছিল, সেইবিলাক মূলতঃ আছিল আফ্ৰিকাৰ হাতী। কিছুমান ভাৰতীয় হাতীও আছিল।

একালত কেৱল আফ্ৰিকাত আৰু ভাৰতবৰ্ষতহে হাতী আছিল। কিন্তু ভাৰত আৰু আফ্ৰিকাৰ হাতীৰ মাজত অলপ পাৰ্থক্য আছিল।

আফ্ৰিকাৰ হাতী আছিল আকাৰত অতি বৃহৎ। সিহঁতৰ কাণ দুখন আছিল বিৰাট আকাৰৰ। এই কাণেৰে সিহঁতে বিচনীৰ কামো কৰিছিল নিজৰ দেহ জুৰ পেলাবলৈ।

ভাৰতবৰ্ষৰ হাতী থাকে অৰণ্যত। গছ-গছনিৰ ছাঁ আৰু আফ্ৰিকাৰ তুলনাত অধিক জুৰ বতাহ পোৱাত ভাৰতীয় হাতীয়ে সিহঁতৰ কাণেৰে বিচনীৰ কাম কৰিব নালাগে। এতেকে— ভাৰতীয় হাতীৰ কাণ চুটি।

আফ্ৰিকাৰ হাতীৰ শুঁৰ বেছি ভাঁজ থকা আৰু দাঁত দুটা ভাৰতীয় হাতীতকৈ অধিক দীঘল।

মাইকী হাতী আৰু পোৱালি হাতীবিলাক সাধাৰণতঃ একেলগে দল বান্ধি ঘূৰি-ফুৰি থকা দেখা যায়।

কেতিয়াবা মতা হাতীকো সেই দলত দেখা যায়; কিন্তু মতা হাতী-বিলাকে দলত সদা-সৰ্বক্ষণ নাথাকে, মতা হাতীবিলাকে সিহঁতৰ ইচ্ছামতে য'তে মন যায় থাকেগৈ।

মাইকী হাতীয়ে পোৱালি দিওঁতে আন এজনী মাইকী হাতী কাষত থিয় হৈ থাকে সহায় কৰিবলৈ। আফ্ৰিকীয় হাতী প্ৰায় ৫০ বছৰ আৰু ভাৰতীয় ৭০ বছৰলৈকে জীয়াই থকা দেখা যায়।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ অক্ট'বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৰাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : অন্বেষণ   দ্বিতীয় ফটো : আয়োজন

পুৰস্কাৰ পাওঁতা : মুকুলপ্ৰভা বৰা, যোৰপুখৰীপাৰ, গুৱাহাটী-১।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। এসত্তৰ ভাগ ২। বুধগ্ৰহ ৩। প্লুট' ৪। বৃহস্পতিগ্ৰহ

৫। আনুমানিক ৭৯০০ মাইল।

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, Arcot Road, Madras-600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adopting them in any manner will be dealt with according to law.

ৰং-ৰহইচৰ ৰজা... গোল্ড স্পটৰ মজা!
GOLD SPOT
flavoured. Contains no fruit juice or fruit pulp.
serve chilled
Trikaya-GS-1-85-ASM



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

মালতোভা দলে আচৰিত কৰি তোলে

সেইদিনা মিনিৰ জন্মদিন আছিল। বাকী থকা কেক্ খিনিৰে সকলোৱে মিলি ঘৰৰ সন্মুখৰ চোতালত বহি মালতোভা খাইছে। কেক্‌টো খাবলৈ ইমান ভাল আছিল। "ৰুমাল চুৰি"কে আদি কৰি সেইদিনা যে কিমান ফুৰ্ত্তি আছিল। মিনিয়ে বহুত ধুনীয়া ধুনীয়া উপহাৰ পালে। কিন্তু অকণমানী জন্মদিনৰ ছোৱালীজনীয়ে মনমাৰি বহি আছে।

"মিনি, তোমাৰ কি হল?"

দেবু জানানে ধিৰু অনাথ আশ্ৰমৰ। মায়ে তেওঁক কালি মাতিছিল, তোমালোকে জানানে ধিৰুৱে আজিলৈকে কাৰো জন্মদিনলৈ গৈ পোৱা নাই? অনাথ আশ্ৰমত কেতিয়াও জন্মদিন পতা নহয়। ধিৰুৰ জন্মদিন শনিবাৰে।" মিনিৰ চকুৰ পৰা দুধাৰি চকুলো বৈ আহিল, সকলো নিৰৱ। তেওঁলোক সকলোৱে ধিৰুক জানে আৰু ভাল পাই কিন্তু তেওঁ সদায় মন মাৰি থাকে।

চালিমে এটা বুধি পাঙিলে...

চালিমে এটা দুষ্ট হাঁহি মাৰি বহিল। তাহাতি যদি ধিৰুৰ বাবে এটা পাৰ্টিৰ ব্যৱস্থা কৰে। প্ৰত্যেকেই সম্মতি দিলে "এইটো বৰ মজাৰ হব"। দেবুৰ হাতত অলপ সাচতীয়া পইছা আছিল। ভেনুৱে কলে তেওঁৰ মাকে এটা কেক্ বনাব পাৰিব। মালতীয়েও অলপ পইছা দিলে আৰু মিনিয়ে তাইৰ কিছুমান উপহাৰ দিলে, সকলো বৰ কৌতুহল হ'ল কাৰণ এইটো তেওঁলোকৰ বৰ সুখৰ গোপনতা।

ধিৰুৰ বাবে সচাকৈয়ে আচৰিত

সেই শনিবাৰৰ দিনা ধিৰুক চালিমহতৰ ঘৰলৈ নিমন্ত্ৰন কৰা হল। ধিৰুক কোনেও ওলগ জনোৱা নাই সেই কাৰণে তেওঁৰ বৰ দুখ, তেওঁ দৰজাখন হেচুঁকি ভিতৰ সোমাই গল। "তোমালোক ক'ত আছা" ঘৰটো আন্ধাৰ আছিল আৰু হঠাৎ পোহৰ হ'ল আৰু প্ৰত্যেকেই গান গালে" "হেপি বাৰথদে"। ধিৰুৰ অনাথ আশ্ৰমৰ সকলো বন্ধু আৰু মালতোভা দল, এটা ডাঙৰ গুলপীয়া আৰু বগাৰঙৰ ডাঙৰ কেক্ টেবুলত আছিল।

চাৰিওফালে বেলুনেৰে ভৰা আৰু ধোৱা ওলাই থকা গৰম মালতোভা; তাৰোপাৰি উপহাৰো, সচাকৈয়ে ধিৰুৰ বাবে আনন্দৰ মেলা।.মন মাৰি থকা ধিৰু আজি আনন্দৰে ভৰা।

মালতোভাই সকলো সলনি কৰে

মালতোভাৰ ল'ৰা-ছোৱালীয়ে জীৱনত সকলো পাই কাৰণ প্ৰত্যেক পিয়লা মালতোভাতে আছে সোনালী ঘেহু, বাৰ্লি, খাটি গাখীৰ, বলকাৰক কৰ্কা আৰু শৰ্কৰাৰ উপকাৰী অংশ। ই শক্তিদায়ক, প্ৰতিৰোধকাৰক আৰু বলকাৰক। আপোনাৰ লৰা-ছোৱালীক মালতোভা দিয়ক, দেখাপাব তেওঁলোক শক্তিবান আৰু স্বাস্থ্যবান হৈছে। মালতোভাই আপোনাৰ লৰা-ছোৱালী জীৱনৰ বাবে স্পৃহা বহাই।

মালতোভা ক্লাবত যোগদান কৰক।

এইটো তেনেই উজু। মাত্ৰ ৫০০ গ্ৰামৰ তিনিখন জাৰ লেবেল আৰু ভিতৰৰ চিল অংশ অথবা তিনিখন ৫০০ গ্ৰামৰ ঢাকনি পঠাওক।

মালতোভা ক্লাব
ফৰথ ফ্লৰ, ভানদাৰী হাউচ,
৯১, নেহেৰু প্লেচ, নতুন দিল্লি-১০০ ০১৯
আপুনি অংশ ললে।

JIL জগৎজিত ইণ্ডাষ্ট্ৰিজ লিমিটেড

ভিটামিন যুক্ত মালতোভাঃ স্বাস্থ্য, বল আৰু শক্তিৰ বাবে

SIMOES/JIL/002/85 ASM

নটৰাজেৰে লিখাৰ মজাই হ'ল বেলেগ। ই ইমান নিখুতকৈ লিখে যে সকলোৱে নটৰাজেৰেহে লিখি ভাল পায়। অকনো নভগাকৈ ই ইমান কোমল, ডাঠকৈ আৰু জোঙাকৈ লিখে যে আনকোনো এনেধৰণৰ পেন্সিলত এই মজা নাই। ইয়াৰ মানে হ'ল বহুত সময় ধৰি আপুনি লিখাৰ আৰাম পায়।

নটৰাজ পেন্সিল
বেচিকৈ লিখে, বেচিকৈ চলে

এক উৎকৃষ্ট উৎপাদন:
হিন্দুস্তান পেন্সিলচ প্ৰাঃ লিঃ বোম্বাই-৪০০ ০০১

everest/85/HP/190-as